


গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৯ ডিচেম্বৰ ২০২৫/৩ পুহ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩৫ ● Vol - 14, Issue - 35

# চৰকাৰী আঁচনিয়ে হিতাধিকাৰী সৃষ্টি কৰা নাই, মহিলাসকলৰ সন্মান বৃদ্ধি কৰিছে ঃ মুখ্যমন্ত্ৰী

## লামডিং আৰু বৰপেটা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ





**মুকুল গোস্বামী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুখনকৈ বিশাল জনসভাত অংশগ্ৰহণ কৰি লামডিং আৰু বৰপেটা সমষ্টিৰ অন্তৰ্গত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ বাবে বাঁছনিকৃত উদ্যমী মহিলাসকলৰ মাজত চেক বিতৰণৰ শুভাৰম্ভ কৰে। লামডিং সমষ্টিত ২৪,১০০ গৰাকী গ্ৰামাঞ্চলৰ আৰু ৩,২১০ গৰাকী নগৰাঞ্চলৰ মহিলাসহ সৰ্বমুঠ ২৭,৩১০ গৰাকী মহিলাই এই অভিযানৰ চেক লাভ কৰিছে। আনহাতে, বৰপেটা সমষ্টিৰ সৰ্বমুঠ ২০,৩৩৬ গৰাকী মহিলাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক লাভ কৰিছে। ইয়াৰে ১৫,৭৩৭ গৰাকী গ্ৰামাঞ্চলৰ আৰু ৪,৫৯৯ গৰাকী নগৰাঞ্চলৰ। লামডিং সমষ্টিত চেক বিতৰণৰ বাবে আয়োজিত সভাৰ পৰাই মুখ্যমন্ত্ৰী ড° শৰ্মাই সমষ্টিটোত প্ৰশাসনিক ভৱন, ক্ৰীড়া ক্ষেত্ৰ, ৰক্ত কেন্দ্ৰ, স্বাস্থ্য কেন্দ্ৰ, সংহত গোটা আৰু জুলীয়া আৱৰ্জনা নিষ্কাশন কেন্দ্ৰ আৰ চি চি দলং আৰু পথসহ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আভাষীয়ভাৱে উদ্বোধন অথবা শিলান্যাস কৰে। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰ খেলপথাৰত আয়োজিত সভাত লামডিং সমষ্টিৰ উদ্যমী মহিলাসকলক উদ্দেশ্যে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এতিয়ালৈকে অৰ্ধশতাধিক বিধানসভা সমষ্টিৰ ১২ লাখ মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰা হৈছে। ১০ পৃষ্ঠাত

# ২৯ ডিচেম্বৰত মুকলি হ'ব গুৰুজনাৰ জন্মভূমিৰ বহু প্ৰতিক্ষিত 'বটদ্ৰৱা প্ৰকল্প' শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ



**জয়ন্ত মুদৈ, নগাঁওঃ** অসমীয়া কলা-কৃষ্টি-সাহিত্য-সংস্কৃতিৰ বৰভেটি প্ৰতিষ্ঠাৰে জাতীয় জীৱনক নতুন ৰঙেৰে সজাই-পৰাই তোলা জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমিৰ শ্ৰীশ্ৰী বটদ্ৰৱা থান প্ৰতিগৰাকী ধৰ্মপ্ৰাণ ব্যক্তিৰ আস্থা, বিশ্বাস আৰু ভক্তিৰ সেৱাৰ স্থলী। বটদ্ৰৱা থানৰ চৈধ্য প্ৰসংগ আৰু গীত-মাতৰ লগতে ঈশ্বৰ উপাসনাৰ শৃংখলাবদ্ধ পৰিৱেশন শৈলীকে ধৰি গুৰুজনাই এই পৱিত্ৰ ভূমিত এৰি থৈ যোৱা ঐতিহাসিক সমল বিশেষকৈ কীৰ্তনঘৰ, পদশিলা, পাটশিলা, দৌলমন্দিৰ, আকাশী গঙ্গা, শিলিখা বৃক্ষ, চাৰিহাটী আৰু সতীৰাধিকা ৯ পৃষ্ঠাত

# মুম্বাইত সন্মানীয় শ্ৰীচন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা, ২০২৫ গ্ৰহণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ ঃ** শ্ৰীকাঞ্চী কামাকোটি পীঠমৰ ৬৮ সংখ্যক শংকৰাচাৰ্য পূজ্যশ্ৰী চন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী মহাস্বামীগালৰ পৱিত্ৰ স্মৃতিত মুম্বাইত প্ৰতিষ্ঠা কৰা অতি সন্মানীয় শ্ৰী চন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা, ২০২৫ আজি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা গ্ৰহণ কৰি গভীৰভাৱে সন্মানিত হোৱা বুলি মন্তব্য কৰে আৰু এই স্বীকৃতি অসমৰ জনসাধাৰণ, তেওঁৰ পিতৃ-মাতৃ আৰু তেওঁক পথ প্ৰদৰ্শন কৰা সনাতন ধৰ্মৰ আদৰ্শৰ প্ৰতি উৎসৰ্গা কৰে। এই সন্মান প্ৰদান কৰাৰ বাবে ড° শৰ্মাই শ্ৰীকাঞ্চী কামাকোটি পীঠমৰ জগদগুৰু শংকৰাচাৰ্য পূজ্যশ্ৰী শংকৰ বিজয়েন্দ্ৰ সৰস্বতী স্বামীগাল আৰু দক্ষিণ ভাৰতীয় শিক্ষা সমাজক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। বঁটা গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত ড° শৰ্মাই অসম আৰু ভাৰতবৰ্ষৰ সভ্যতাৰ মাজত থকা গভীৰ আধ্যাত্মিক সংযোগৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে আদি শংকৰাচাৰ্যই স্বয়ং প্ৰাচীন কামৰূপলৈ যাত্ৰা কৰি নৱগুপ্তৰ দৰে মহান



পণ্ডিতৰ সৈতে বিতৰ্ক কৰি উত্তৰ-পূৰ্বাঞ্চলত অদ্বৈত পৰম্পৰা স্থাপন কৰিছিল, যাৰ সাক্ষ্যস্বৰূপে কামাখ্যা মন্দিৰত এটা মণ্ডপম আজিও আছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শ্ৰী শংকৰদেৱ নেত্ৰালয় আৰু পূৰ্ব তিৰুপতি মন্দিৰ ১০ পৃষ্ঠাত

# নগাঁৱৰত কৃষি বিপ্লৱৰ প্ৰয়াস জংগম বহুমুখী সমবায় সমিতিৰ

## নিবনুৱাক দেখুৱাইছে স্বাৱলম্বিতাৰ নিদৰ্শন

**জয়ন্ত মুদৈ, নগাঁও ঃ** এতিয়া ৰবিশস্যৰ বতৰ। আলু, মাহ, সৰিয়হ, তিচি আদি শস্য ৰোপণৰ উপযুক্ত সময়। সেয়ে ৰাজ্যৰ কৃষকসকল এতিয়া ৰবিশস্যৰ খেতিত নামি পৰিছে। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ প্ৰান্তে কৃষক ব্যস্ত হৈ পৰিছে ৰবিশস্যৰ খেতিত। ইয়াৰ মাজতে জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কঠিয়াতলীৰ সমীপৰ জুমৰমুৰ অঞ্চলৰ পথাৰত ৰবিশস্যৰ খেতিৰে কৃষি বিপ্লৱৰ প্ৰয়াস চলাইছে অগ্ৰণী সামাজিক সংগঠন জংগম বহুমুখী সমবায় সমিতিয়ে।




আচলত, কৃষি আৰু মহিলাৰ সবলীকৰণৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি অহা জংগম বহুমুখী সমবায়ে উক্ত অঞ্চলত বহুখিনি কৃষিভূমি লীজত লৈ ৰবিশস্যৰ খেতিত নামি পৰিছে। সামাজিক সংগঠনটোৰ সমূহ বিষয়-ববীয়া আৰু সদস্য-সদস্যাসকলে একত্ৰিত হৈ সংঘবদ্ধভাৱে এইদৰে কৃষিকৰ্মত নামি পৰি যেন সূচনা কৰিছে কৃষি বিপ্লৱৰ। জানিব পৰা মতে, এইবেলি সংগঠনটোৱে ১৫ বিঘা মাটিত মচুৰ দাইল, ১২ বিঘা মাটিত তিচি আৰু ৩ বিঘা মাটিত ৰঙালাও খেতিৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে অসম কৃষি বিশ্ববিদ্যালয়ৰ ১০ পৃষ্ঠাত

# নদুৱাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত পানপুৰঘাট প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ পালন



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ নদুৱাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত পানপুৰঘাট প্ৰাথমিক বিদ্যালয়ত শনিবাৰে বিস্তৃত কাৰ্যসূচীৰে ৰাইজৰ উৎসৱ সম্পন্ন হয়। বিদ্যালয়খনৰ এলেকাৰ সচেতন নাগৰিক, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে এই উৎসৱভাগ অনুষ্ঠিত কৰে। কাৰ্যসূচী মৰ্মে প্ৰথমেই পতাকা উত্তোলন, বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিছবিত শ্ৰদ্ধা জনাই সাংস্কৃতিক শোভাযাত্ৰাৰে দিনটোৰ কাৰ্যসূচী পাতনি মেলা হয়। বিদ্যালয়খনৰ জ্যেষ্ঠ আৰু উদ্যমি সহকাৰী শিক্ষক গগন তিৱাৰীয়ে উদেশ্য বাখ্যা কৰা অনুষ্ঠানত সভাপতিৰ আসন অলংকৃত কৰে প্ৰাক্তন শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী ঘনশ্যাম অধিকাৰীয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক কাৰ্যসূচীসমূহ পৰিচালনা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণা দাসৰ লগতে সহকাৰী শিক্ষয়িত্ৰী পূৰ্ণিমা দেৱী আৰু সৰস্বতী দেৱীয়ে। নেপালী, অসমীয়া, বেংগলী, মুছলমান, হিন্দী ভাষীৰে সংমিশ্ৰিত এই অঞ্চলটিত প্ৰত্যেক সম্প্ৰদায়ৰ পৰম্পৰাগত সাজ-পাৰ, গীত-নৃত্য পৰিৱেশনে অনুষ্ঠানভাগ জীপাল কৰি তোলে। অনুষ্ঠানত উপস্থিত থকা জামুগুৰি আদৰ্শ মণ্ডল সমলকেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সমন্বয়ক হীৰেন নাথে এই উৎসৱৰ প্ৰয়োজনীয়তা তথা প্ৰাসংগিকতাৰ লগতে বিদ্যায়তনিক দিশৰ গুৰুত্ব সম্পৰ্কে সভাত বিশদভাৱে আলোকপাত কৰে। শিক্ষাখণ্ডটিৰ পিছপৰা অঞ্চলটিত তথা কাজিৰঙা ষষ্ঠ সংযোজনৰ কাষতে অৱস্থিত এই বিদ্যালয়ত এনে অনুষ্ঠানৰ আয়োজন কৰিবলৈ সুবিধা দিয়াৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণা দাসে নিকা আৰু উদ্যমশীল শিক্ষা বিষয়া প্ৰণৱ কুমাৰ বৰাৰ লগতে বি.আৰ.পি মনোজ শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। উক্ত সভাত দক্ষিণ চিলাবন্ধা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মোহন কৈৱালাও উপস্থিত থাকে।

# মদাৰজ্যোতিলৈ শব্দকল্প কাব্য বঁটা আৰু বলেন চন্দ্ৰ বৰুৱালৈ শব্দকল্প সাহিত্য বঁটা ঘোষণা



**নগাঁও ঃ** সাহিত্য সংস্কৃতিমূলক অনুষ্ঠান শব্দকল্পই ২০২৫-২৬ বৰ্ষৰ বাবে আগবঢ়োৱা সাহিত্য বঁটা আৰু কাব্য বঁটা প্ৰাপকৰ নাম ইতিমধ্যে ঘোষণা কৰিছে। শব্দকল্পৰ সম্পাদক নাৰায়ণ চন্দ্ৰ ৰজাই প্ৰেৰণ কৰা প্ৰেছ বিবৃতি অনুসৰি ২০২৫-২৬ বৰ্ষৰ বাবে আগবঢ়োৱা শব্দকল্প সাহিত্য বঁটা লাভ কৰিছে মৰিগাঁও জিলাৰ শিমলুগুৰিৰ বিশিষ্ট কবি, সাহিত্যিক বলেন চন্দ্ৰ বৰুৱাই আৰু শব্দকল্প কাব্য বঁটা লাভ কৰিছে নগাঁও জিলাৰ উত্তৰ পেটবড়াৰ বিশিষ্ট কবি মদাৰজ্যোতিয়ে। উল্লেখ্য যে অসমীয়া ভাষা সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা সাহিত্যসেৱীসকলক শব্দকল্পই প্ৰতি বছৰে বঁটা প্ৰদান কৰি উৎসাহিত কৰি আহিছে। ইয়াৰ উপৰি গ্ৰন্থ প্ৰকাশ আৰু গ্ৰন্থমেলা আয়োজনেৰে শব্দকল্পই ভাষা-সাহিত্যৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই আহিছে। শব্দকল্পৰ উদ্যোগত অহা ২৫,২৬, ২৭,২৮ আৰু ২৯ জানুৱাৰী ২০২৬ ত মৰিগাঁৱৰ সদৰ বিহুতলীত আয়োজন কৰা সাহিত্য উৎসৱ আৰু গ্ৰন্থমেলা অনুষ্ঠানত এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

# শিৱসাগৰৰ নামতিত ৬০০০ শিল্পীৰ দ্বাৰা দিহানাম পৰিৱেশনৰ প্ৰস্তুতি

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ নামতিৰ শনিবৰীয়া বজাৰৰ সমীপত থকা খঁৰাগড় খেলপথাৰত এছ কে যুৱ সমাজ, শঙ্খ নাৰায়ণ সাংস্কৃতিক গোষ্ঠী আৰু নামতি অঞ্চলবাসীৰ লগতে শিৱসাগৰবাসী ৰাইজৰ সহযোগত অহা ২৮ ডিচেম্বৰত সদৌ অসম ভিত্তিত দিহানাম সমাৰোহ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উল্লেখযোগ্য যে, উক্ত সমাৰোহত ৬০০০ গৰাকী দিহানামৰ শিল্পীয়ে দিহানাম পৰিৱেশন কৰিব বুলি জানিব পৰা গৈছে। পুৱা ৭ বজাৰ পৰা দিনৰ ১২ বজালৈকে অনুষ্ঠিত হ'বলগীয়া সমাৰোহখনি উদ্বোধন কৰিব দিহা সম্ৰাট কমলা গগৈয়ে। আনহাতে মুখ্য নামতী হিচাপে ক্ৰমে মঞ্জিতা গোস্বামী আৰু জোৎস্না হাজৰিকা উপস্থিত থাকিব। অনুষ্ঠানৰ আৰম্ভণিতে নাম প্ৰসঙ্গ অনুষ্ঠান সমাপন হোৱাৰ লগে লগেই মায়াবিনী গীতেৰে অসমৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি এছ কে যুৱ সমাজৰ হৈ সুমন কলিতাই জানিবলৈ দিছে। অনুষ্ঠানত সমূহ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আয়োজক সমিতিয়ে একান্তই কামনা কৰিছে।

# অসম চৰকাৰৰ অধীনস্থ ৫২ টা বিভাগৰ কেজুৱেল, ফিক্সড পে, মাষ্টাৰ ৰোল, কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতিৰ বিশেষ অভিবৰ্তন




**ৰমেন ভৰালী, বংশৰ ঃ** সদৌ অসম ফিক্সড পে, মাষ্টাৰ ৰোল, কেজুৱেল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত যোৱা ১৩ ডিচেম্বৰত গুৱাহাটী খানাপাৰাস্থিত পশুপালন বিভাগৰ খেলপথাৰত অনুষ্ঠিত হয় বিশেষ অভিবৰ্তন। অসম চৰকাৰে এই কৰ্মচাৰীসকলক প্ৰদান কৰা ৫০ শতাংশ ঘৰ ভাড়া বানচ আদায় দিয়াৰ বাবে প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৃতজ্ঞতা জনায় আৰু লগতে কৃতজ্ঞতা জনায় এই ৫২ টা বিভাগৰ দায়িত্ববাহী কেবিনেট মন্ত্ৰীসকলক। লগতে এই সমূহ দাবী বলিষ্ঠভাৱে চৰকাৰৰ ওচৰত উত্থাপন কৰাৰ বাবে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় নেতৃত্বক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। বিশেষ অভিবৰ্তনত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা, সম্পাদক প্ৰধান পংকজ বৰ্মন, গুৱাহাটী কৰ্মচাৰী পৰিষদৰ সভাপতি নজমুল হক, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক আজিজুৰ ৰহমান, কাৰ্যনিৰ্বাহক উৎপল চক্ৰৱৰ্তী, নৰজিত শৰ্মা, বিপ্লৱ দাস, সতীশ দাস, দেৱজিত সাহা ইত্যাদিসকলে অংশগ্ৰহণ কৰে। বিগত সময়ত ২০১৭ চনত মহামান্য উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে অসম চৰকাৰে ১৩ হাজাৰ ফিক্সড পে, মাষ্টাৰ ৰোল, কেজুৱেলৰ কৰ্মচাৰীক নিয়মীয়া দৰমহা দিয়াৰ নিৰ্দেশ প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত উক্ত কৰ্মচাৰীসকলে তেওঁলোকৰ সমস্যা সন্দৰ্ভত বিভিন্ন দাবী উত্থাপন কৰি আহিছিল। এই ক্ষেত্ৰত কৰ্মচাৰী পৰিষদৰ যোগেদিও তেওলোকৰ প্ৰাপ্য দাবীসমূহ উত্থাপন কৰি আহিছিল। বিগত ১১ জানুৱাৰীত অসম চৰকাৰ আৰু কৰ্মচাৰী পৰিষদৰ মাজত হোৱা আলোচনাৰ সিদ্ধান্ত মৰ্মে এইসকল কৰ্মচাৰীৰ ঘৰ ভাড়াৰ বানচ আদায় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কিন্তু দুখ আৰু পৰিতাপৰ বিষয় যে এইসকল কৰ্মচাৰীৰ ঘৰ ভাড়া বানচৰ কেৱল ৫০ শতাংশহে আদায় দিয়াৰ নিৰ্দেশনা চৰকাৰে প্ৰেৰণ কৰে। এই কাৰ্যত কৰ্মচাৰীসকলে দুখ আৰু অসন্তোষ প্ৰকাশ কৰে। কিন্তু ইমান দিনে বঞ্চনাৰ পৰা ৫০ শতাংশ মুক্তিৰ বাবে মুখ্যমন্ত্ৰীৰ শলাগ লয়। এই ক্ষেত্ৰত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক প্ৰধান পংকজ বৰ্মন দেৱে ইতিমধ্যেই চৰকাৰৰ দ্বাৰা প্ৰাপ্ত ৫০ শতাংশ ঘৰ ভাড়া বানচৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰে আৰু অভিবৰ্তনৰ পৰাই অনাদায় ৫০ শতাংশ দিবৰ বাবে সজোৰে দাবী উত্থাপন কৰে। ইয়াৰ লগতে সভাৰ পৰাই সম্পাদক প্ৰধান পংকজ বৰ্মণে এই সকল কৰ্মচাৰীক মুখ্যমন্ত্ৰীৰ লোক সেৱক আৰোগ্য যোজনাত শীঘ্ৰেই অন্তৰ্ভুক্তি, অন্যান্য নিয়মীয়া কৰ্মচাৰীৰ নিচিনাকৈ সম তথা সকলো সুবিধা প্ৰদান আৰু মৃত কৰ্মচাৰীৰ ক্ষেত্ৰত এককালীন সাহায্য প্ৰদান আদি বিষয়ত আগন্তুক বিধানসভা অধিৱেশনৰ পূৰ্বেই চৰকাৰে দিব লাগে বুলি সভাৰ পৰাই সজোৰে দাবী উত্থাপন কৰে। সভাত উপস্থিত আজিজুৰ ৰহমানে অতি শীঘ্ৰেই এই সকল কৰ্মচাৰীৰ সমস্যাসমূহ নিৰাময়ৰ বাবে কৰ্মচাৰী পৰিষদৰ নেতৃত্বক অনুৰোধ জনায়। গুৱাহাটী কৰ্মচাৰী পৰিষদৰ সভাপতি নজমুল হক দেৱে এই সকল বঞ্চিত কৰ্মচাৰীৰ হকে সদৌ অসম কৰ্মচাৰী পৰিষদে যৎপৰোনাষ্টি প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি সভাত অৱগত কৰে। উৎপল চক্ৰৱৰ্তী দেৱে এইসকল কৰ্মচাৰীক নিয়মীয়া কৰ্মচাৰীৰ দৰে সম সুবিধা দিয়াৰ বাবে ব্যক্তব্য প্ৰদান কৰে। সভাত আদৰণি ভাষণ প্ৰদান কৰে ফিক্সড পে, মাষ্টাৰৰোল সমন্বয়ৰক্ষী সমিতিৰ সভাপতি প্ৰমোদ চৌধাৰী আৰু উদ্দেশ্য বাখ্যা কৰে সম্পাদক জিতুমণি দাস। অসমৰ বিভিন্ন জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা কৰ্মচাৰী বন্ধু সকল আহি এই অভিৱৰ্তন সফল কৰা লগতে সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ নেতৃবৰ্গৰ উপস্থিতিৰ বাবে শলাগ জনায় সদৌ অসম কেজুৱেল, ফিক্সড পে, মাষ্টাৰ ৰোল কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতিৰ তৰফৰ পৰা।

# নিসংগতাই মানুহক যুজিবলৈ শিকাই নে ধ্বংস হ'বলৈ শিকাই

■ **চিমী বৰুৱা,** মৰিগাঁও, চৰাইবাঁহী

নিসংগতা সঁচাকৈয়ে মানুহৰ বাবে এটা গভীৰ আৰু জটিল অনুভৱ। বাহিৰৰ পৰা চাই গ'লে নিসংগতাই যেন মানুহক ভিতৰতে ভাঙি পেলাব বিচাৰে, মনোবল হ্ৰাস কৰে আৰু জীৱনৰ প্ৰতি আগ্ৰহ কমাই দিয়ে। কিন্তু এই নিসংগতাৰ মাজতেই লুকাই থাকে জীৱনৰ এক গুৰুত্বপূৰ্ণ শিক্ষা। নিসংগতাই আমাক নিজকে বুজিবলৈ সুযোগ দিয়ে, নিজৰ দুৰ্বলতা আৰু শক্তি চিনাক্ত কৰিবলৈ শিকায়। যেতিয়া আমি একলে থাকো, তেতিয়া নিজৰ চিন্তা, ভয়, আশা আৰু সপোনবোৰৰ সৈতে মুখামুখি হওঁ-এই মুখামুখিতাই আমাক ভিতৰতে অধিক শক্তিশালী কৰি তোলে।

নিসংগতাৰ অভিজ্ঞতাই আমাক ধৈৰ্য ধৰিবলৈ শিকায়, কষ্ট সহ্য কৰিব পৰা ক্ষমতা বৃদ্ধি কৰে আৰু জীৱনৰ কঠিন পৰিস্থিতিত কেনেকৈ থিয় হৈ থাকিব লাগে সেয়া বুজাই দিয়ে। ই আমাক শিকায় যে সদায় আনৰ ওপৰত নিৰ্ভৰ নকৰাকৈ নিজৰ ওপৰত বিশ্বাস ৰাখি আগবাঢ়িব পাৰি। জীৱনৰ যুঁজবোৰত নিসংগতাই আমাক নীতিশিক্ষা ৰূপে বহুতো কথা দি যায়-সৰলতা, আত্মসম্মান, আত্মবিশ্বাস আৰু সহানুভূতিৰ মূল্য বুজায়।



শেষত নিসংগতা কেৱল ধ্বংসৰ পথ নহয়; ই আত্মগঠন আৰু আত্মউন্নয়নৰ এক নীৰৱ শিক্ষক। যি নিসংগতাই আমাক ভাঙিব বিচাৰে বুলি ভাবো, সেই নিসংগতাইয়ে আচলতে আমাক জীৱনত জীয়াই থাকিবলৈ, যুঁজিবলৈ আৰু আগবাঢ়িবলৈ ভালকৈ প্ৰস্তুত কৰি তোলে।

**ম'বাইল ঃ** ৭০৯৯৭-৪৭৬৪৩

# অৰ্ধ-পৰিবাহী প্ৰকল্প ঃ অসমত ঔদ্যোগিকৰণৰ নৱজাগৰণ

■ হিমাংশু ৰণ্‌জন ভূঞা
জামুগুৰিহাট

**অ**সমৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত শেহতীয়াভাৱে সূচনা হোৱা অৰ্ধ-পৰিবাহী প্ৰকল্পৰ সম্ভাৱনা আৰু ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱক লৈ বৰ্তমান সময়ত এক গভীৰ চৰ্চাৰ প্ৰয়োজনীয়তা আহি পৰিছে। দীৰ্ঘদিন ধৰি অৱহেলিত আৰু উদ্যোগহীনতাৰ অন্ধকাৰত ডুব গৈ থকা উত্তৰ-পূৰ্বাঞ্চলৰ এই ভূখণ্ডত এনে এক উচ্চ প্ৰযুক্তিৰ বিশাল বিনিয়োগ কেৱল অৰ্থনৈতিক ঘটনা নহয়, বৰঞ্চ ই এক সামাজিক পৰিৱৰ্তনৰো আগজাননী। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে অসমৰ অৰ্থনীতি সদায় প্ৰকৃতি নিৰ্ভৰ। চাহপাত, খনিজ তেল আৰু বনজ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা আমাৰ ঔদ্যোগিক ভেটিটোৱে একবিংশ শতিকাৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ যথেষ্ট শক্তি আহৰণ কৰিব পৰা নাছিল। বিশ্ব বজাৰৰ দ্ৰুত পৰিৱৰ্তন আৰু প্ৰযুক্তিৰ নৱতম আৱিষ্কাৰৰ লগত খোজ মিলাব নোৱাৰা বাবে আমাৰ ৰাজ্যখন ক্ৰমান্বয়ে পিছ পৰি গৈছিল। কিন্তু টাটা গ্ৰুপৰ উদ্যোগত জাগীৰোডত নিৰ্মাণ হ'বলগীয়া অৰ্ধ-পৰিবাহী সংযোজন আৰু পৰীক্ষণ কেন্দ্ৰই সেই স্থিৰতা ভাঙি এক নতুন গতি প্ৰদান কৰাৰ দিশত অগ্ৰসৰ হৈছে। এই প্ৰকল্পৰ জৰিয়তে অসমে বিশ্বৰ প্ৰযুক্তি মানচিত্ৰত এক সন্মানজনক স্থান দখল কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

অৰ্ধ-পৰিবাহী বা ছেমিকণ্ডাক্টৰ হ'ল বৰ্তমান বিশ্বৰ আধুনিক সভ্যতাৰ চালিকা শক্তি। আমাৰ হাতৰ ম'বাইল ফোনটোৰ পৰা আৰম্ভ কৰি মহাকাশলৈ উৰা মাৰিবলৈ সাজু হোৱা ৰকেটলৈকে, প্ৰতিটো বৈদ্যুতিক যন্ত্ৰৰ কলিজা স্বৰূপ এই ক্ষুদ্ৰ চিপবোৰ। ইমান দিনে এই প্ৰযুক্তিৰ বাবে ভাৰতবৰ্ষ চীন, টাইৱান বা দক্ষিণ কোৰিয়াৰ দৰে দেশৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল আছিল। এই নিৰ্ভৰশীলতাই দেশৰ অৰ্থনীতি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত এক ভাবুকিৰ সৃষ্টি কৰিছিল। এতিয়া সেই প্ৰযুক্তিৰ উৎপাদন আমাৰ নিজৰ চোতালত, অৰ্থাৎ অসমৰ মাটিত হোৱাটো এক সপোন দিঠকত পৰিণত হোৱাৰ দৰে ঘটনা। জাগীৰোডৰ যিটো স্থানত এসময়ত কাগজ কলৰ ধোঁৱাই আকাশ ছানি ধৰিছিল আৰু হাজাৰ হাজাৰ শ্ৰমিকৰ জীৱিকাৰ সম্বল আছিল, সেই স্থান কালৰ গৰাহত পৰি নিস্তব্ধ হৈ পৰিছিল। শ্ৰমিকৰ কান্দোন আৰু হতাশাৰ মাজেৰে পাৰ হোৱা সেই অভিশপ্ত সময়ছোৱাৰ অন্ত পেলাই এতিয়া সেই একেই স্থানত বিশ্বৰ আটাইতকৈ দামী আৰু জটিল প্ৰযুক্তিৰ কেন্দ্ৰ গঢ় লৈ উঠাটোৱে প্ৰমাণ কৰে যে সময় সলনি হয় আৰু অন্ধকাৰৰ পাছত পোহৰৰ আগমণ নিশ্চিত। এই প্ৰকল্পটোৱে কেৱল এটা অঞ্চলৰে নহয়, বৰঞ্চ সমগ্ৰ অসমবাসীৰ মনত লুপ্তপ্ৰায় আত্মবিশ্বাসক পুনৰ জগাই তুলিছে।

এই বিশাল কৰ্মযজ্ঞৰ অৰ্থনৈতিক দিশটো চালি-জাৰি চালে দেখা যায় যে ইয়াৰ প্ৰভাৱ বহুমুখী আৰু সুদূৰপ্ৰসাৰী। ২৭ হাজাৰ কোটি টকাৰ বিনিয়োগ অসমৰ দৰে ৰাজ্য এখনৰ বাবে এক অকল্পনীয় পৰিঘটনা। এই ধনে ৰাজ্যৰ অৰ্থনীতিত এক বৃহৎ জোৱাৰ আনিব। প্ৰকল্পটো নিৰ্মাণৰ সময়ছোৱাত হাজাৰ হাজাৰ স্থানীয় শ্ৰমিক, অভিযন্তা আৰু ঠিকাদাৰে কামৰ সুযোগ পাব। নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা সামগ্ৰী, যেনে চিমেণ্ট, ৰড, বালি আদিৰ যোগানৰ জৰিয়তে স্থানীয় ব্যৱসায়ীসকল লাভৱান হ'ব। পৰৱৰ্তী সময়ত যেতিয়া উদ্যোগটো সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'ব, তেতিয়া তাত প্ৰত্যক্ষভাৱে নিযুক্তি পোৱা লোকৰ সংখ্যা হাজাৰৰ ঘৰত হ'ব। কিন্তু তাতকৈও গুৰুত্বপূৰ্ণ বিষয়টো হ'ল পৰোক্ষ নিযুক্তি। এটা বৃহৎ উদ্যোগক কেন্দ্ৰ কৰি তাৰ চাৰিওফালে সৰু-সুৰা বহুতো সহায়ক উদ্যোগ গঢ় লৈ উঠে। যন্ত্ৰপাতি মেৰামতি, পেকেজিং, পৰিবহণ, নিৰাপত্তা, চাফাই, আৰু কেটানিং সেৱাৰ দৰে ক্ষেত্ৰসমূহত হাজাৰ হাজাৰ কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। এই মানুহবোৰৰ হাতলৈ যেতিয়া ধন আহিব, তেতিয়া বজাৰত ক্ৰয় ক্ষমতা বাঢ়িব, যিয়ে সমগ্ৰ অৰ্থনৈতিক চক্ৰটোকে গতিশীল কৰি তুলিব।

অসমৰ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত এই প্ৰকল্পই এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে। দীৰ্ঘদিন ধৰি আমাৰ মেধাৱী যুৱক-যুৱতীসকলে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পাছতো ৰাজ্যত উপযুক্ত কাম নোপোৱাৰ বাবে বহিঃৰাজ্যলৈ যাবলৈ বাধ্য হৈছিল। বেংগালুৰু, পুনে, হায়দৰাবাদ বা দিল্লীৰ দৰে চহৰত অসমীয়া ল'ৰা--ছোৱালীয়ে আনৰ উদ্যোগত কাম কৰি নিজৰ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। এতিয়া সেই মেধা আৰু দক্ষতাক নিজৰ ৰাজ্যতে ব্যৱহাৰ কৰাৰ সুযোগ আহি পৰিছে। এই প্ৰকল্পৰ বাবে প্ৰয়োজন হ'ব উচ্চ মানদণ্ডৰ অভিযন্তা, বিজ্ঞানৰ ছাত্ৰ আৰু প্ৰযুক্তিবিদ। ইয়াৰ লগে লগে ৰাজ্যৰ শিক্ষা ব্যৱস্থাতো এক আমূল পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা আহি পৰিছে। আমাৰ বিশ্ববিদ্যালয় আৰু কাৰিকৰী শিক্ষানুষ্ঠানসমূহে তেওঁলোকৰ পাঠ্যক্ৰমক উদ্যোগৰ চাহিদা অনুসৰি সলনি কৰিব লাগিব। টাটা গ্ৰুপে ইতিমধ্যে চৰকাৰৰ সহযোগত বিভিন্ন আই টি আই আৰু পলিটেকনিক প্ৰতিষ্ঠানত দক্ষতা বিকাশ কেন্দ্ৰ স্থাপনৰ যি পদক্ষেপ লৈছে, সেয়া অত্যন্ত প্ৰশংসনীয়। ইয়াৰ ফলত আমাৰ ভৱিষ্যত প্ৰজন্ম কেৱল কিতাপৰ জ্ঞানতে আৱদ্ধ নাথাকি হাতে-কামেও দক্ষ হৈ উঠিব। এই পৰিৱৰ্তনে অসমত এক জ্ঞানভিত্তিক অৰ্থনীতিৰ আধাৰশিলা স্থাপন কৰিব।

অৰ্ধ-পৰিবাহী প্ৰকল্পটো অতি সূক্ষ্ম, সময়ানুবৰ্তী আৰু নিখুঁত। ইয়াত কাম কৰিবলৈ হ'লে অত্যন্ত শৃংখলাবদ্ধ আৰু পেছাদাৰী মানসিকতাৰ প্ৰয়োজন। এই নতুন কৰ্ম-সংস্কৃতিয়ে লাহে লাহে আমাৰ সমাজলৈও বিয়পি পৰিব। সময়ৰ মূল্য বুজি পোৱা, কামত নিষ্ঠা আৰু পেছাদাৰী আচৰণৰ যি শিক্ষা আমাৰ যুৱচামে এই উদ্যোগৰ পৰা লাভ কৰিব, সেয়া সমাজৰ আন ক্ষেত্ৰতো প্ৰতিফলিত হ'ব। অৱশ্যে, এই পৰিৱৰ্তনৰ লগে লগে যাতে আমাৰ নিজস্ব কৃষ্টি, সংস্কৃতি আৰু পৰম্পৰা হেৰাই নাযায়, তাৰ প্ৰতিও আমি সজাগ হ'ব লাগিব। আধুনিকতা আৰু ঐতিহ্যৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰাটোৱেই হ'ব আমাৰ বাবে আচল প্ৰত্যাহ্বান। বিশ্বৰ লগত খোজ মিলাবলৈ গৈ আমি যাতে নিজৰ শিপাডাল পাহৰি নাযাওঁ, সেই কথা সদায় মনত ৰাখিব লাগিব। এই প্ৰকল্পৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ ৰাজনৈতিক তাৎপৰ্যও অতি গুৰুত্বপূৰ্ণ। দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে অসমৰ যি স্থান, তাক ইমান দিনে কেৱল কথাতহে সীমাবদ্ধ ৰখা হৈছিল। কিন্তু এই প্ৰকল্পই প্ৰমাণ কৰিলে যে ভাৰত চৰকাৰৰ 'এক্ট ইষ্ট' নীতি কেৱল এক শ্লোগান নহয়। চীনৰ দৰে দেশে প্ৰযুক্তিৰ ক্ষেত্ৰত যি আধিপত্য বিস্তাৰ কৰিছে, তাক প্ৰত্যাহ্বান জনাবলৈ ভাৰতৰ হাতত থকা অস্ত্ৰসমূহৰ ভিতৰত অসমৰ এই প্ৰকল্প অন্যতম। উত্তৰ-পূৰ্বাঞ্চলক ইমান দিনে দেশৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন আৰু সমস্যাজৰ্জৰ অঞ্চল হিচাপে গণ্য কৰা হৈছিল। কিন্তু এতিয়া এই অঞ্চল দেশৰ প্ৰযুক্তিগত নিৰাপত্তাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসমৰ গুৰুত্ব আৰু সন্মান বৃদ্ধি পাব। ৰাষ্ট্ৰীয় ৰাজনীতিত অসমৰ স্থিতি সবল হ'ব আৰু ভৱিষ্যতে অধিক বিনিয়োগ আৰু উন্নয়নৰ বাট মুকলি হ'ব।

পৰিৱেশ আৰু বহনক্ষম উন্নয়নৰ প্ৰসংগটো এই আলোচনাৰ এক অবিচ্ছেদ্য অংশ। জাগীৰোডৰ ওচৰতে বিশ্ববিখ্যাত পবিতৰা অভয়াৰণ্য অৱস্থিত। এনে এক সংবেদনশীল পৰিৱেশ তন্ত্ৰৰ ওচৰত বৃহৎ উদ্যোগ স্থাপন কৰাক লৈ কিছু শংকা থকাটো স্বাভাৱিক। কিন্তু অৰ্ধ-পৰিবাহী উদ্যোগটো পৰম্পৰাগত উদ্যোগৰ দৰে প্ৰদূষণকাৰী নহয়। ই এক স্বচ্ছ আৰু সেউজ প্ৰযুক্তি। তথাপিও, ইয়াত ব্যৱহাৰ হোৱা পানী আৰু ৰাসায়নিক দ্ৰব্যৰ সঠিক ব্যৱস্থাপনা অতি জৰুৰী। টাটা গ্ৰুপৰ দৰে বিশ্বৰ আগশাৰীৰ প্ৰতিষ্ঠানে নিশ্চয় পৰিৱেশ সুৰক্ষাৰ আন্তঃৰাষ্ট্ৰীয় মানদণ্ড মানি চলিব বুলি আশা কৰা যায়। বৰ্তমান সময়ত উদ্যোগ আৰু পৰিৱেশৰ মাজত সংঘাত নহয়, বৰঞ্চ সমন্বয়ৰ ওপৰত গুৰুত্ব দিয়া হয়। সেউজ শক্তিৰ ব্যৱহাৰ, পানীৰ পুনৰ ব্যৱহাৰ আৰু আৱৰ্জনা নিষ্কাশনৰ অত্যাধুনিক পদ্ধতি অৱলম্বন কৰি এই প্ৰকল্পক এক পৰিৱেশ অনুকূল উদ্যোগ হিচাপে গঢ়ি তোলাটো সম্ভৱ। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য অটুট ৰাখি উন্নয়নৰ পথেৰে আগবাঢ়ি যোৱাটোৱেই হ'ব প্ৰকৃত প্ৰগতি।

এই উদ্যোগটোৰ সফলতাই অসমলৈ আন আন বিনিয়োগকাৰীসকলকো আকৰ্ষিত কৰিব। সাধাৰণতে দেখা যায় যে কোনো এটা অঞ্চলত এটা সফল বৃহৎ উদ্যোগ গঢ়ি উঠিলে আন কোম্পানীবোৰেও তালৈ আহিবলৈ সাহস পায়। ইমান দিনে অসমলৈ আহিবলৈ ভয় কৰা বিনিয়োগকাৰীসকলৰ মনত এতিয়া বিশ্বাস জন্মিব। তেওঁলোকে বুজি পাব যে অসমত উদ্যোগৰ বাবে প্ৰয়োজনীয় পৰিৱেশ, চৰকাৰী সহযোগিতা আৰু মানৱ সম্পদ উপলব্ধ। এইদৰেই এটা প্ৰকল্পই সমগ্ৰ ৰাজ্যৰ ঔদ্যোগিক বতাহ সলনি কৰি দিব পাৰে। ইয়াৰ ফলত অসমত পৰ্যটন, স্বাস্থ্যসেৱা, শিক্ষা আৰু তথ্য প্ৰযুক্তিৰ দৰে আন আন খণ্ডতো বিনিয়োগ বৃদ্ধি পাব। বিশেষকৈ আতিথ্য খণ্ডত ইয়াৰ প্ৰভাৱ লগে লগে পৰিলক্ষিত হ'ব। দেশ-বিদেশৰ পৰা অহা বিষয়া আৰু ব্যৱসায়ীসকলৰ বাবে উন্নত মানৰ হোটেল আৰু ৰেষ্টুৰেণ্টৰ প্ৰয়োজন হ'ব, যিয়ে পৰ্যটন উদ্যোগকো এক নতুন মাত্ৰা প্ৰদান কৰিব। আমাৰ গ্ৰাম্য অৰ্থনীতিৰ সলনি হোৱাৰ সম্ভাৱনাও এই প্ৰকল্পৰ লগত জড়িত হৈ আছে। যদিও উদ্যোগটো চহৰকেন্দ্ৰিক যেন লাগে, কিন্তু ইয়াৰ প্ৰভাৱ গাঁৱৰ পথাৰলৈকে বিয়পিব। উদ্যোগ নগৰী গঢ়ি উঠাৰ লগে লগে তাত বাস কৰা হাজাৰ হাজাৰ মানুহৰ বাবে খাদ্য সামগ্ৰী, শাক-পাচলি, মাছ-মাংসৰ প্ৰয়োজন হ'ব। স্থানীয় কৃষকসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে এখন নিশ্চিত আৰু বৃহৎ বজাৰ পাব। ইয়াৰ ফলত কৃষি আৰু উদ্যোগৰ মাজত এক সম্পৰ্ক গঢ়ি উঠিব। কৃষকে আধুনিক পদ্ধতিৰে কৃষি কাৰ্য কৰিবলৈ উৎসাহ পাব আৰু তেওঁলোকৰ উপাৰ্জন বৃদ্ধি পাব। এইদৰেই গ্ৰাম্য আৰু নগৰীয়া অৰ্থনীতিৰ মাজৰ ব্যৱধান কমি আহিব আৰু এক সুষম উন্নয়ন সম্ভৱ হ'ব।

সাধাৰণতে গধুৰ উদ্যোগত পুৰুষৰ প্ৰাধান্য বেছি দেখা যায়, কিন্তু অৰ্ধ-পৰিবাহী বা ইলেক্ট্ৰনিক্স উদ্যোগত বিশ্বজুৰি মহিলা কৰ্মীৰ চাহিদা যথেষ্ট বেছি। এই কামৰ বাবে প্ৰয়োজনীয় ধৈৰ্য, মনোযোগ আৰু আঙুলিৰ নিপুণতা মহিলাসকলৰ সহজাত গুণ। সেয়েহে, এই প্ৰকল্পত বুজন সংখ্যক মহিলাই কৰ্মসংস্থাপন পোৱাৰ সম্ভাৱনা প্ৰবল। যেতিয়া এগৰাকী মহিলা অৰ্থনৈতিকভাৱে স্বাৱলম্বী হয়, তেতিয়া তেওঁৰ গোটেই পৰিয়ালটোৰ ওপৰত ইয়াৰ ইতিবাচক প্ৰভাৱ পৰে। শিক্ষা, স্বাস্থ্য আৰু পৰিয়ালৰ কল্যাণত মহিলাই উপাৰ্জন কৰা ধনৰ সঠিক ব্যৱহাৰ হয়। ইয়াৰ দ্বাৰা অসমৰ সমাজত লিংগ বৈষম্য হ্ৰাস পোৱাৰ লগতে নাৰী শক্তিৰ এক নতুন জাগৰণ ঘটিব। জাগীৰোডৰ এই উদ্যোগত কাম কৰি আমাৰ আই-ভনীসকলে কেৱল নিজৰ পৰিয়াল পোহপাল দিয়াই নহয়, বৰঞ্চ ৰাজ্যৰ অৰ্থনীতিলৈও বৰঙণি যোগাব। অৱশ্যে, এই বিশাল পৰিৱৰ্তনৰ মাজত আমি যাতে আমাৰ মৌলিক সত্তা হেৰুৱাই পেলাব লগা নহয়, সেই বিষয়েও সচেতন হোৱাৰ প্ৰয়োজন আছে। দ্ৰুত নগৰীকৰণ আৰু উদ্যোগীকৰণে কেতিয়াবা মানুহক যান্ত্ৰিক কৰি পেলায় আৰু মানৱীয় প্ৰমূল্যবোধবোৰক আঘাত কৰে। যৌথ পৰিয়াল ভাঙি একক পৰিয়ালৰ সৃষ্টি হয়, চুবুৰীয়াৰ লগত সম্পৰ্ক ক্ষীণ হৈ আহে আৰু সমাজত এক অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি হয়। আমি যাতে এই নেতিবাচক দিশবোৰক আমাৰ সমাজত শিপাবলৈ নিদিওঁ, তাৰ বাবে আমাৰ সমাজৰ জ্যেষ্ঠ নাগৰিক, সাহিত্যিক আৰু চিন্তাবিদসকলে পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব লাগিব। উন্নয়ন লাগে, কিন্তু মূল্যবোধৰ বিনিময়ত নহয়। আমি এনে এক সমাজ গঢ়িব বিচাৰো য'ত হাতত লেপটপ থাকিব কিন্তু বুকুত থাকিব নামঘৰৰ ভক্তি আৰু বিহুৰ উচাহ। আধুনিক প্ৰযুক্তি আৰু চিৰায়ত অসমীয়া মূল্যবোধৰ সমন্বয়েহে আমাক বিশ্বৰ বুকুত এক স্বকীয় পৰিচয় দিব পাৰিব।

এই বৃহৎ উদ্যোগটোৰ লগত সংগতি ৰাখি ভৱিষ্যতে নিশ্চয়কৈ গৱেষণা কেন্দ্ৰও গঢ় লৈ উঠিব। চৰকাৰে ইতিমধ্যে ছেমিকণ্ডাক্টৰ গৱেষণাৰ বাবে পুঁজি আবণ্টন দিয়াৰ কথা ঘোষণা কৰিছে। আমাৰ স্থানীয় কলেজ আৰু বিশ্ববিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ পৰা লাভান্বিত হ'ব। তেওঁলোকে নতুন নতুন ধাৰণা আৰু প্ৰযুক্তি উদ্ভাৱন কৰিবলৈ অনুপ্ৰেৰণা পাব। হয়তো এদিন অসমৰ কোনোবা এখন সৰু গাঁৱৰ ল'ৰা বা ছোৱালীয়ে আৱিষ্কাৰ কৰা প্ৰযুক্তি বিশ্বৰ আগশাৰীৰ কোম্পানীয়ে ব্যৱহাৰ কৰিব। বিজ্ঞান মানসিকতাৰ প্ৰসাৰৰ ফলত সমাজৰ পৰা কুসংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰ হোৱাতো সহায় হ'ব। এক যুক্তিবাদী আৰু বিজ্ঞানমনস্ক নতুন প্ৰজন্মইহে অসমক প্ৰকৃত আধুনিকতাৰ দিশে লৈ যাব পাৰিব। ইয়াৰ উপৰিও ছেমিকণ্ডাক্টৰ উদ্যোগৰ বাবে কেঁচামাল অনা আৰু উৎপাদিত সামগ্ৰী বিশ্ব বজাৰলৈ পঠিয়াবলৈ এক অত্যন্ত ক্ষিপ্ৰ আৰু সুচল পৰিবহণ ব্যৱস্থাৰ প্ৰয়োজন। ইয়াৰ বাবে ৰাজ্যৰ পথ যোগাযোগ, বিমান বন্দৰ আৰু নদী বন্দৰসমূহৰ উন্নয়ন অনিবাৰ্য হৈ পৰিছে। বৰঝাৰ বিমান বন্দৰৰ সম্প্ৰসাৰণ আৰু মৰিগাঁও সংযোগী ঘাইপথসমূহৰ উন্নীতকৰণ ইতিমধ্যে আৰম্ভ হৈছে। ব্ৰহ্মপুত্ৰ নদীক জলপথ হিচাপে ব্যৱহাৰ কৰি সামগ্ৰী পৰিবহণৰ যি সম্ভাৱনা আছে, তাকো এতিয়া বাস্তৱায়িত কৰাৰ সময় আহিছে। এই উন্নত যোগাযোগ ব্যৱস্থাই কেৱল এই উদ্যোগটোকেই নহয়, বৰঞ্চ ৰাজ্যৰ কৃষি, পৰ্যটন আৰু সাধাৰণ যাতায়াতকো এক নতুন গতি দিব। গাঁৱৰ কৃষকে তেওঁৰ ফচল কম খৰচতে আৰু কম সময়তে বজাৰত উলিয়াই দিব পাৰিব। দুৰ্গম অঞ্চলৰ ৰোগীয়ে উন্নত চিকিৎসাৰ বাবে চহৰলৈ সহজে আহিব পাৰিব। অৰ্থাৎ, এটা উদ্যোগৰ প্ৰয়োজনীয়তাই সমগ্ৰ ৰাজ্যৰ যোগাযোগ ব্যৱস্থাকে আধুনিক কৰি তুলিব।

সামৰণিত এই কথা ক'ব পাৰি যে জাগীৰোডৰ অৰ্ধ-পৰিবাহী প্ৰকল্পটো অসমৰ বাবে এক পৰীক্ষা আৰু সুযোগৰ সংমিশ্ৰণ। আমি যদি এই সুযোগক সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰো, তেন্তে অসমে অৰ্থনৈতিকভাৱে পিছপৰা ৰাজ্যৰ যি পৰিচয়, সেয়া চিৰদিনৰ বাবে মচি পেলাব পাৰিব। ইয়াৰ বাবে প্ৰয়োজন হ'ব দূৰদৰ্শী নেতৃত্ব, দক্ষ প্ৰশাসন আৰু সজাগ নাগৰিক সমাজ। আমি আশা কৰো যে এই প্ৰকল্প নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ হ'ব আৰু ইয়াৰ সুফল অসমৰ প্ৰতি ঘৰলৈ বিয়পি পৰিব। লুইতৰ পাৰত যেন পুনৰ এবাৰ প্ৰগতিৰ জয়গান গাব পৰা যায়, তাৰেই অপেক্ষাত সমগ্ৰ অসমবাসী। এই নিৰ্মীয়মান অৰ্ধ-পৰিবাহী প্ৰকল্পটো হ'ল অসমৰ নৱজাগৰণৰ প্ৰতীক। ই আমাৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এক আশাৰ বতৰা। নেতিবাচক চিন্তাধাৰা বৰ্জন কৰি গঠনমূলক মানসিকতাৰে আগবাঢ়িলেহে আমি এই সুৱৰ্ণ সুযোগৰ সদ্ব্যৱহাৰ কৰিব পাৰিম। অসমৰ আকাশত এতিয়া নতুন পোহৰৰ ৰেঙণি। এই পোহৰে আমাৰ সমাজৰ পৰা দৰিদ্ৰতা, অন্ধবিশ্বাস আৰু হতাশাৰ আন্ধাৰ দূৰ কৰি এক সমৃদ্ধিশালী আৰু প্ৰগতিশীল অসম গঢ়াত সহায় কৰক, সেয়াই আমাৰ কামনা। বিশ্বৰ প্ৰযুক্তি জগতত 'মেড ইন আছাম' জিলিকি উঠক আৰু প্ৰতিজন অসমীয়াৰ শিৰ গৌৰৱত উন্নত হওক।

**ম'বাইল ঃ** ৯৮৬৪০-০০২৬০

# অসম কবি সন্মিলনৰ অন্তৰ্গত 'কলংপৰীয়া কবি সন্মিলন' নগাঁও সদৰ শাখাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** 'অসম কবি সন্মিলন'ৰ অন্তৰ্গত 'কলংপৰীয়া কবি সন্মিলন', নগাঁও সদৰ শাখাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখনি যোৱা ১৩ ডিচেম্বৰত নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী মুকলি কৰে 'কলংপৰীয়া কবি সন্মিলন', নগাঁও সদৰ শাখাৰ সভাপতি ড° দিলীপ শৰ্মাই। স্মৃতি তৰ্পণ কৰে শাখাৰ কাৰ্যকৰী সভাপতি ৰিণি নেওগ বৰাই। ইয়াৰ পিছতে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে লেখক নবীন কলিতাই। ইয়াৰ অন্তত এখনি প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত পুৰণা সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। সেই অনুসৰি, ড° দিলীপ শৰ্মাক সভাপতি আৰু বেলা মোদীক সম্পাদক হিচাপে পুনৰবাৰ সভাই দায়িত্বভাৱ অৰ্পণ কৰে। দুপৰীয়া অনুষ্ঠিত হোৱা কবিতা পাঠৰ এক অনুষ্ঠানত দুকুৰিৰো অধিক কবিয়ে অংশগ্ৰহণ কৰি স্ব-ৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানত সমীক্ষক হিচাপে অংশ লয় 'অসম কবি সন্মিলন'ৰ কাৰ্যকৰী সভাপতি ত্ৰিদিৱ লস্কৰে। কবিতা পাঠ অনুষ্ঠানৰ পিছতে অনুষ্ঠিত হয় এখনি মুকলি সভা। যোগমিত মহন্তৰ দ্বাৰা বৰগীত পৰিৱেশনেৰে মুকলি কৰা সভাখনত সভাপতিত্ব কৰে শাখাৰ সভাপতি ড° দিলীপ শৰ্মাই। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰিণি নেওগ বৰাই আদৰণি ভাষণ প্ৰদান কৰা এই সভাত অধিৱেশনৰ সৈতে সংগতি ৰাখি লেখক নবীন কলিতাৰ দ্বাৰা সম্পাদিত 'ক্লুং' নামৰ এখনি স্মৰণিকা উন্মোচন কৰে খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে। উক্ত সভাতে লেখিকা তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কাবেৰী মহন্তৰ 'মনীষী বিচিত্ৰা আৰু অন্যান্য' শীৰ্ষক এখনি গ্ৰন্থ উন্মোচন কৰে ড° দিলীপ শৰ্মাই। সভাত বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা কবি সন্মিলনৰ সভাপতি শ্ৰুতিমালা গায়ন বৰা, সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টাদ্বয় নৰ মহন্ত, নাৰায়ণ কলিতাই ভাষণ প্ৰদান কৰে। সভাত সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা চন্দ্ৰ শইকীয়া, জিতেন শৰ্মা, যুটীয়া সম্পাদক কবিন ভাগৱতী, পত্ৰিকা সম্পাদক হিমাদ্ৰী হাজৰিকাৰ উপৰি গৌৰীবল্লভ গোস্বামী, চিনু কাকতি, দিপালী মহন্ত, প্ৰদীপ শইকীয়া, চন্দ্ৰ শইকীয়া, অশোকৰাম ভট্টাচাৰ্য, দুলাল বৰা, প্ৰফুল্ল শইকীয়া, কবিন ভাগৱতী, জেউতি হাজৰিকা, নাৰায়ণ কলিতা, মধু চৌধুৰী, হিমাদ্ৰী হাজৰিকা, ছাইদুল ইছলাম, প্ৰীতি চৌধুৰী, মুকুতা ৰাজা, ত্ৰিবেনী নাথ, কমল শৰ্মা, অঞ্জনা গোস্বামী, অনামিকা দেৱী, অৰূপ গোস্বামী, অংকিতা ভট্টাচাৰ্য, বীনা দাস, মালা মেধি কাকতি, জয়শ্ৰী মহন্ত, মিচিমি মহন্ত উপাধ্যায়, লখিমী মহন্ত, মঞ্জু দাস ৰাজকুমাৰী, জয়ন্ত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্যমান্য লোক উপস্থিত থাকে।

# বিশ্বনাথত ক্লাচিক মটৰচ ইয়ামমাহা বাইকৰ ডিলাৰৰ শুভ উন্মোচন বিধায়ক প্ৰমোদ বৰঠাকুৰৰ

## জামুগুৰিহাটৰ পিছতেই বিশ্বনাথত নতুনকৈ সংযোজন কৰে যুৱ ব্যৱসায়ী গীতাৰ্থ বৰুৱাই



**চন্দন শৰ্মা, তেজপুৰ ঃ** বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বিশ্বনাথ জিলাৰ মাজমজীয়াত দ গাঁও তেল ডিপোৰ সন্মুখত ক্লাচিক মটৰচ ইয়ামমাহা বাইকৰ ডিলাৰৰ ৰঙা ফিটা কাটি শুভ উন্মোচন কৰে বিধায়ক প্ৰমোদ বৰঠাকুৰে। শোণিতপুৰ জিলাৰ ঐতিহ্যমণ্ডিত জামুগুৰিহাটৰ পিছতেই দ্বিতীয়বাৰৰ বাবে যুৱ ব্যৱসায়ী গীতাৰ্থ বৰুৱাই নতুনকৈ সংযোজন কৰিলে ক্লাচিক মটৰচৰ অত্যাধুনিক ইয়ামমাহা বাইকৰ ডিলাৰ। উক্ত শুভ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, জিলা পৰিবহণ বিষয়া লিয়ন হাজৰিকা, মহাজাতি টুৰেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। উক্ত ডিলাৰত অত্যাধুনিক দুচকীয়া বাহনৰ লগতে ফাইনেঞ্চৰ উপৰিও চাৰ্ভিচৰ সুবিধাসমূহ বহু উন্নতমানৰ হ'ব বুলিও জানিবলৈ দিয়ে যুৱ ব্যৱসায়ী গীতাৰ্থ বৰুৱাই।

# ৰাজ্যিক কৃতী শিক্ষক ভগৱান বৈশ্যৰ বিদায় সম্বৰ্ধনা সভাত ৮খনকৈ শৈক্ষিক গ্ৰন্থ উন্মোচন



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বংশৰ অঞ্চলৰ শিক্ষানুষ্ঠান 'বংশৰ ভুংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়'ৰ অৱসৰী প্ৰধান শিক্ষক তথা ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক ভগৱান বৈশ্যৰ ৪০ বছৰীয়া চাকৰি জীৱনৰ অৱসৰৰ আনুষ্ঠানিক বিদায় সম্বৰ্ধনা সভা আৰু কৃতী শিক্ষক ভগৱান বৈশ্যৰ স্বৰচিত আঠখনকৈ শৈক্ষিক গ্ৰন্থ উন্মোচন কৰা হয়। যোৱা ১৩ ডিচেম্বৰত বংশৰ ভুংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগনত আয়োজিত কৰা ভুংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল চন্দ্ৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা ব্যাপকভাৱে সম্বৰ্ধনা জনোৱা হয়। বিদায় সম্বৰ্ধনা সভাত আদৰণি ভাষণ প্ৰদান কৰে বংশৰ ভুংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ তত্বাৱধায়ক শিক্ষক লোকনাথ বৈশ্যই। বিদায় সম্বৰ্ধনা সভাৰ পিছতে বংশৰ ভুংগেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক ভগৱান বৈশ্যৰ দ্বাৰা ৰচিত ৮ খনকৈ শৈক্ষিক গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অতুল চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত সমৱেত সংগীত পৰিৱেশনৰ লগতে আদৰণি ভাষণ প্ৰদান কৰে শৈক্ষিক গ্ৰন্থৰ লেখক তথা ৰাজ্যিক কৃতী শিক্ষক ভগৱান বৈশ্যই, গ্ৰন্থ উন্মোচনী সভাত কৃতী শিক্ষক ভগৱান বৈশ্যৰ স্বৰচিত ৮ খন শৈক্ষিক গ্ৰন্থ বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ মদনমোহন দাসে "New English Grammar", ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক যতীন ডেকাই "Modern English Grammar", শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° দ্বিপেন শৰ্মাই "Current General knowledge", ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° জ্যোতিৰ্ময় বৰাই "Story Book (English)", ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপক ড° জিতুমণি ৰাজবংশীয়ে "Comprehension (English)", কামৰূপ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক গগন ভট্টই "Gyan Shamber", বংশৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা বংশৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য ভুপেন কলিতাই "Sishu Neota & Gyanjyoti", আৰু ১৪৭৭ নং ছটলা গৰিয়া জাগৰণ প্ৰাথমিক বিদ্যালয়, বৰপেটাৰ প্ৰধান শিক্ষক নিত্যানন্দ নাথে "First Flight (English Reader) Guide Book)" শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে। গ্ৰন্থ উন্মোচনৰ পিছতে গ্ৰন্থ উন্মোচক সকলে নিজৰ নিজৰ ভাষণত কৃতী শিক্ষক ভগৱান বৈশ্যৰ এনে প্ৰচেষ্টাক সকলোৱে একে মুখে শলাগ লয় আৰু কৃতী শিক্ষক ভগৱান বৈশ্যৰ জীৱন কৃতি সম্পৰ্কে বিস্তাৰিতভাৱে ভাষণ দিয়ে। গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থলেখক তথা কৃতী শিক্ষক ভগৱান বৈশ্যই গ্ৰন্থ ৰচনা কৰাৰ মনৰ কথা ব্যক্ত কৰি সকলোকে আপ্লুত কৰে। কামৰূপ জিলা শিক্ষক বঁটা প্ৰাপক তথা ভুংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই আঁতৰৱা গ্ৰন্থ উন্মোচনী সভাত প্ৰাক্তন আছু নেতা তথা ভাৰতীয় জনতা পাৰ্টীৰ নেতা প্ৰকাশ দাসে উপস্থিত থাকি ভাষণ দিয়ে। বিদায় সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী সভাত শিক্ষয়িত্ৰী বিভাৰাণী দাস আৰু দময়ন্তী দাসেও গীত পৰিৱেশন কৰে।

# শোণিতপুৰৰ বালিপৰাত নামেৰি হাস্পতাল আৰু ৰিচাৰ্ছ কেন্দ্ৰৰ আধাৰশিলা স্থাপন

**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰৰ বালিপৰাত অত্যাধুনিক নামেৰি হস্পিতালৰ লগতে ৰিচাৰ্ছ কেন্দ্ৰৰ মাংগলিক নিয়মৰে বৃহস্পতিবাৰে আধাৰশিলা স্থাপন কৰে স্বত্বাধিকাৰ মজিদুৰ ৰহমানে। বালিপৰাৰ যুৱ সমাজকৰ্মী তথা নামেৰি হস্পিতালৰ লগতে ৰিচাৰ্ছ কেন্দ্ৰৰ পৰিচালক মইনোৰ ৰহমানে আঁত ধৰা উক্ত আধাৰশিলা অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে শোণিতপুৰ জিলাৰ গৰিয়া মৰিয়া দেশী জাতিৰ পৰিষদৰ সভাপতি চহিদুৰ ৰহমান, মহাজাতি টুৰেন্টি ফ'ৰ লাইভৰ স্বত্বাধিকাৰ ড° পৰশমণি সিংহ, চাৰিদুৱাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চতিচ চাহু, বালিপৰা মচজিদ কমিটিৰ সভাপতি নুৰুল ইচলাম খানৰ লগতে বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত চিকিৎসালয়খনত সকলো ধৰণৰ সা-সুবিধা উপলব্ধ হ'ব বুলি জানিবলৈ দিয়ে। বালিপৰাৰ যুৱ সমাজকৰ্মী তথা নামেৰি হাস্পতালৰ লগতে ৰিচাৰ্ছ কেন্দ্ৰৰ পৰিচালক মইনোৰ ৰহমানে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে ভূমিও দান দিয়া পৰিলক্ষিত হয়।

# কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ ছিপাঝাৰৰ গৰুখুটিত সঁৰিয়হ খেতিৰ মাজত মৌ বাকচ সংস্থাপন

**ৰমেন ভৰালী, বংশৰ ঃ** অসম ৰাজ্যিক কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক তথা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যই ৯ ডিচেম্বৰত ছিপাঝাৰৰ গৰুখুটিত উপস্থিত হৈ সঁৰিয়হ খেতিৰ মাজত মৌ বাকচ সংস্থাপন কৰে। মৌৱে শৰীৰত ৰোগ প্ৰতিৰোধ কৰা ক্ষমতা বৃদ্ধি কৰে। কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ মূল উদ্দেশ্য হ'ল মৌ উৎপাদন কৰি 'ভোগালী মেলাত' বিক্ৰী কৰি খেতিয়ক ৰাইজক লাভান্বিত কৰা। ইয়াৰ আগতে বহিঃৰাজ্যৰ বেপাৰী আহি অসমতে 'মৌ উৎপাদন কৰি আমাৰ মাজতে বিক্ৰী কৰি মূলধন লৈ গৈছিল। এতিয়া যাতে ইয়াৰ স্থানীয় কৃষকসকলে উৎপাদন কৰিব পাৰে তাৰে প্ৰচেষ্টা চলোৱা দেখা গৈছে। এই প্ৰচেষ্টা চলোৱা কৃষক নেতা ৰঞ্জিত ভট্টাচাৰ্যৰ সেৱাৰ মানসিকতাৰে খেতিয়ক ৰাইজক চহকী কৰাৰ চিন্তা ধাৰাক কৃষক বন্ধু সকলে আদৰণি জনাইছে। ইয়াৰ স্থানীয় কৃষকসকলে ৰঞ্জিত ভট্টাচাৰ্যৰ ব্যক্তিত্বক অন্যান্য বুলি শলাগ জ্ঞাপন কৰে।

# সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনত স্বাস্থ্যসেৱা সঞ্চালক ডাঃ উমেশ ফাংচু



**ৰমেন ভৰালী, বংশৰ ঃ** সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী (পুৰুষ) সংস্থাৰ চতুৰ্থ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশন কামৰূপ জিলা বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ আতিথ্যত যোৱা ১৩ ডিচেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কামৰূপ জিলাৰ দদৰা ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত অধিৱেশনৰ ১৩ ডিচেম্বৰত পুৱা সংস্থাৰ সভাপতি পংকজ কুমাৰ তালুকদাৰে পতাকা উত্তোলনৰে অধিৱেশনৰ শুভাৰম্ভ কৰে। শ্বহীদ তৰ্পণ কৰে সংস্থাৰ সম্পাদক অৰূপ হাজৰিকাই। সংস্থাৰ প্ৰয়াত সতীৰ্থসকলৰ বেদীত পুস্পাঞ্জলী অৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি গীতুমণি দাসে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদকদ্বয় নৃপেন ডেকা আৰু দিগন্ত কলিতাই। অধিৱেশনৰ মুখ্য তোৰণ মুকলি কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰকাশ চন্দ্ৰ দাসে। সংস্থাৰ প্ৰতিনিধিৰ নাম পঞ্জীয়ন আৰু অৱসৰপ্ৰাপ্ত সতীৰ্থসকলৰ সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে সংস্থাৰ কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী (পুৰুষ) সংস্থাৰ ২০২৫-২০২৭ বৰ্ষৰ বাবে জোন কুমাৰ বৰ্মনক সভাপতি আৰু নৃপেন ডেকাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী (পুৰুষ) সংস্থাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশন উপলক্ষে ১৪ ডিচেম্বৰত সংস্থাৰ সভাপতি পংকজ কুমাৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ স্বাস্থ্যসেৱা সঞ্চালক ডাঃ উমেশ ফাংচু উপস্থিত থাকি অসমৰ বহুমুখী স্বাস্থ্যকৰ্মীসকলৰ সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিব কোৱাৰ লগতে মানৱ সেৱাৰ মনোভাৱৰে কাম কৰিবলৈ আহ্বান জনায়। মুকলি সভাত সন্মানীয় অতিথি হিচাপে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মন উপস্থিত থাকি সদৌ অসম কৰ্মচাৰী পৰিষদৰ এটি ভাতৃসম সংগঠন সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ সমস্যা সমূহৰ পৰ্যালোচনা কৰি তেখেতে অসমৰ বহুমুখী স্বাস্থ্যকৰ্মীসকলক স্বাস্থ্য বিভাগৰ সকলো কামতে খটুৱাই প্ৰাপ্তখিনিৰ পৰা বঞ্চিত নকৰিবলৈ অসম চৰকাৰক দাবী জনায়। তেখেতে ভাষণ প্ৰসংগত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এগৰাকী কৰ্মপটু মূখ্যমন্ত্ৰী হিচাপে অসমৰ ২০০৫ চনৰ পিছত নিযুক্ত কৰ্মচাৰীখিনিক সুনিশ্চিত ভৱিষ্যতৰ প্ৰতি আৰ্থিক নিৰাপত্তা দিবলৈ দাবী জনায়। মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী উপস্থিত থাকি অধিৱেশনৰ স্মৰণিকা 'সব্যসাচী' উন্মোচন কৰি সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ 'চাকৰি সেৱা বিধি' নোহোৱাত স্বাস্থ্যকৰ্মী সকলৰ সমস্যাটি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত আলোচনা কৰি সমাধানৰ আশ্বাস প্ৰদান কৰে। সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ নতুন সমিতিৰ বিষয়ববীয়ালৈ শুভেচ্ছা জনায় মানৱ সেৱাৰ মনোভাৱৰে কাম কৰিবলৈ সকলোকে আহ্বান জনায়। সদৌ অসম বহুমুখী স্বাস্থ্যকৰ্মী সংস্থাৰ সম্পাদক অৰূপ হাজৰিকাই আঁতধৰা মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ উপদেষ্টা কালিচৰণ সেন, সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ প্ৰাক্তন সভাপতি তথা সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰমেন ভৰালী, দদৰা গাঁও পঞ্চায়তৰ সভাপতি মামনী বৰুৱা, মানিক দাস আদি উপস্থিত আছিল। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ২২০০ বহুমুখী স্বাস্থ্যকৰ্মী উপস্থিত আছিল।

# গাঁওবোৰ যিদিনা নোহোৱা হ'ব

**■ সুশান্ত বৰুৱা,** গোলাঘাট

গাঁও ভগৱানৰ এক অনন্য উপহাৰ, সহজ সৰল চহা মানুহৰ আৱাসস্থলী। বাঁহনি-কাঠনি, খাল-ডোং, জান-জুৰি, পথাৰ ইত্যাদিৰে ভৰপূৰ। আম, কঠাল, মধুৰীআম, লেটেকু, পণিয়ল বাৰীয়ে বাৰীয়ে। প্ৰকৃতাৰ্থত তাহানিতে পঢ়ি অহা 'আমাৰ গাঁও' পদ্যটিৰ মাজত বিচাৰি পোৱা সকলোখিনি উপাদানেই বিৰাজমান।

গতিশীল সময়ৰ বোকোচাত উঠি গাঁওবোৰে ক্ৰমে হেৰুৱাই পেলাইছে নিজস্ব গুণ-গৰিমা। চহৰৰ আগ্ৰাসন আৰু মানুহৰ চহৰমুখী হোৱাৰ প্ৰৱণতা, অৰ্থনৈতিক দিশত চহৰৰ প্ৰতি যি ধাৰণা সেয়াই ক্ৰমে গ্ৰাস কৰি পেলাইছে গাঁও। যদি বছৰৰ আৰম্ভণিতে চোৱা যায় পহিলা চ'তৰে পৰা ব'হাগ বিহুৰ কাৰণে গুমগুমাই থকা ঢোলৰ মাতবোৰ কমি আহিল তাৰ পৰিৱৰ্তে বিহুৰ কৰ্মশালা হয়। ব'হাগ বিহুৰ পিছৰ পৰাই গাঁৱৰ চহাকৃষকে কৃষি কৰ্মৰ কাৰণে যোজা আৰম্ভ কৰে কিন্তু বৰ্তমান আধুনিক প্ৰযুক্তিবিদ্যাৰ কাৰণে কম সময়ত পথাৰ চহাই-মৈয়াই কঠীয়া পৰাৰ ব্যৱস্থা কৰে তাৰ ফলশ্ৰুতিত কাহিলিপুৱাতে কান্ধত নাঙল যুঁৱলি লৈ বলধ হাল বা ম'হটো লৈ পথাৰলৈ যোৱা হালোৱা দেখিবলৈ নোহোৱা হ'ল। এতিয়া অনৰ্থক 'অ' চিত পখিলা, তিনি মূৰ দহ ঠেং ক'ত দেখিলা' সাঁথৰ। ঠিক সেইদৰে শাওণৰ পথাৰত আলি ভাঙি পানীত ভাঁহি অহা জাক জাক গাভৰু ৰোৱনীৰ হাঁহি খিকিন্দালি মাৰ গ'ল। ধান ৰোৱা যন্ত্ৰৰ সহায়ত খেতিৰ মাটি ৰোৱা আৰম্ভ হ'বলৈ লৈছে ক্ৰমান্বয়ে। ভাদ মাহত নামঘৰত কীৰ্তন পাঠ, আইনাম লোৱা এক পৰম্পৰা, আধ্যাত্মিক চিন্তা চেতনাৰ সোঁত বৈ থাকে সদায়। আহিনত নিয়ৰ সৰাৰ লগে লগে সেমেকা ধূলিয়ৰী পদূলিবোৰ এতিয়া নোহোৱা হ'ল, কমি আহিল আঘোণৰ কুঁৱলী। পকা ধানৰ মাজত আলিত বহা চৰাইৰ প্ৰজাতি বিলুপ্তিৰ পথত। লাহে লাহে ইতিহাসৰ পাতত খোদিত হ'ব নৰা পেঁপা, ৰবাব টেঙাৰ জুতি, কান্ধত ডাঙৰী ভাৰৰ জিৰিক জিৰিক শব্দ, মৰণা পেলোৱাৰ পৰা ধান সামৰি খেৰ সামৰালৈকে অতীতৰ প্ৰথা, খেতিৰ সজুলি ইত্যাদি কিয়নো এতিয়া ধান কটা, মৰণা মৰা এই সকলোবোৰ যন্ত্ৰৰ দ্বাৰা কৰা হৈছে। মাঘৰ মেজিটোও চাপৰহৈ আহিল। বাকী মানুহৰ আন্তৰিকতা-আত্মীয়তাৰ কথা নক'লোৱেই যেনিবা। এটা কথা নিশ্চিত যে ভৱিষ্যতে এনে এটা দিন আহিব প্ৰতিজন মানুহে গাঁও হেৰুৱাই আকৌ গাঁও বিচাৰি হিয়া ঢাকুৰি কান্দিব আৰু তেতিয়ালৈ বহুত বেছি পলম হ'ব।

**ম'বাইল ঃ** ৬০০২৯-৯৩৪১৩

# আৱেগ কেতিয়াও কৌতুক নহয়

**■ প্ৰিয়ম হাতীমূৰীয়া,** কাকপথাৰ

মানুহৰ আৱেগ জন্মৰ জৰিয়তে গা কৰি উঠা এক প্ৰৱণতা, একেখন সমাজতে বসবাস কৰা মানুহৰ আৱেগ ভিন্ন হৈ পৰে অৰ্থাৎ ব্যক্তি বিশেষে আৱেগ অনুভূতি বোৰ বেলেগ বেলেগ হয়। কিছুমান মানুহ ইমানেই আৱেগিকভাৱে মজবুত যে যি কোনো পৰিস্থিতি নিজকে সবলভাৱে পৰিচালিত কৰি তুলিব পাৰে, কিছুমান মানুহ সঁচাকৈ আৱেগিক, বহুত বেছি আৱেগিক, আৱেগৰ পাকচক্ৰত পৰি নিজকে ক'ৰবাত হেৰুৱাই পেলায় যিবোৰে বহু ক্ষেত্ৰত জীৱনৰ কঠিন প্ৰত্যাহ্বান সমূহৰ ওচৰত থমকি ৰৈ দিব লগা হয় ... এই যে কেতিয়াবা সৰু সৰু কথাতে ভাগি পৰো, লক্ষ্য প্ৰাপ্তি মনটোত কেতিয়াবা হঠাতে হতাশা স্থান দি দিওঁ, এইয়া আচলতে একো একোটা সৰু সুৰা আৱেগ বুলিয়ে কব খোজোঁ। আৱেগিক মানুহবোৰ বোলে সময় সাপেক্ষে বহুত বেছি শক্তিশালী আৰু কেতিয়াবা সময়ে বহুত বেয়াকৈ ভাঙি পেলায়। জীৱনৰ কোনো অভিজ্ঞতাই তাক সৱল কৰি তুলিব নোৱাৰে এইয়াই আৱেগ, সকলো ব্যক্তিৰ ক্ষেত্ৰত আৱেগ জড়িত হৈ থাকে কিন্তু সকলোৰে আৱেগবোৰ বেলেগ বেলেগ, কোনো ব্যক্তিয়ে কেতিয়াবা কোনো বিষয় লৈ ইমান বেছি আৱেগিক যে হয়টো কোনো উদাহৰণ, ন্যূনতম জ্ঞানেৰে, সমাধানেৰে তাক পতিয়ন দিয়াব নোৱাৰি। আমাৰ সমাজখনে আৱেগক ইমানেই বেছি প্ৰাধান্য দি আহিছোঁ যে কেতিয়াবা বিবেকক প্ৰতাৰণা কৰিবলৈ কণ্ঠাবোধ নকৰোঁ। বিবেক আচলতে এজন ব্যক্তিৰ জন্মগত বুলিও ক'ব নোৱাৰি তথাপিও বিবেক সদায় জ্ঞানৰ দ্বাৰা বেছি শক্তিশালী হৈ উঠে। আৱেগ কেতিয়াও আমাক যে প্ৰয়োজন নাই এনে নহয়। কিছুমান পৰিস্থিতিত বিবেকৰ পৰিৱৰ্তে আৱেগ সদায় প্ৰয়োজন মোৰ এজন শিক্ষাগুৰুয়ে কৈছিল আৱেগক সদায় প্ৰশ্ৰয় নিদিবা, য'ত আৱেগ প্ৰয়োগ হয় তাত হে আৱেগক প্ৰাধান্য দিবা অন্যথা সদায় জীৱনৰ সিদ্ধান্তবোৰ বিবেকেৰে ল'বা। মই ভাবো আমাৰ সমাজখনত কেৱল যে কঠোৰ গম্ভীৰ প্ৰকৃতিৰ মানুহেই প্ৰয়োজন এনে নহয় আৱেগিক মানুহবোৰৰ প্ৰয়োজন অতি বেছি যাতে সমাজৰ আৱেগিক পৰিস্থিতিবোৰ মোকাবিলা কৰিবলৈ পাৰে।

আৱেগৰ মুখামুখি সীমিত হ'লে ভাল কিন্তু যদিহে ইয়াৰ প্ৰভাৱ অতি বেছি হয় তেতিয়া সামাজিকভাৱেও কিছু কিছু সমস্যা দেখা পোৱা যায়। নিজৰ মনটো যদি নিয়ন্ত্ৰণ কৰিব নোৱাৰি তেতিয়াহ'লে আত্মহত্যা দৰে ঘটনাবোৰ দেখিবলৈ পোৱা যায়। আৱেগ সকলো ব্যক্তিৰে থাকে কিন্তু সেই আৱেগ সীমিত আৰু নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা থাকিব লাগে। আৱেগ থাকিলে বোলে এজন মানুহ, মানুহ হিচাপে জীয়াই থাকিব পাৰে। নিজক মানুহ হিচাপে গণ্য কৰিব পাৰে আৰু যদিহে সেই আৱেগ বস্তুটো মানুহৰ লগত নাথাকে তেতিয়াহ'লে ব্যক্তিয়ে জীয়াই থাকিও নথকাৰ দৰে। সেয়েহে আৱেগজনিত কাৰণবোৰত মানুহবোৰে গুৰুত্ব দিয়া প্ৰয়োজন। নিজৰ আৱেগৰ প্ৰয়োজনীয়তাবোৰৰ অৰ্থ উপলব্ধি কৰিব পৰাৰ ক্ষমতাটো সকলোৱে লগত থকাটো প্ৰয়োজন। আৱেগ বুজি নোপোৱা মানুহবোৰ কেতিয়াও হৃদয়ঙ্গম হ'ব নোৱাৰে। যথোপযুক্ত সময়ত আৱেগক প্ৰাধান্য দিয়াটো উচিত। মানুহৰ যেনেকৈ মন এটা আছে ঠিক মনৰ লগতে নিবিড়ভাৱে জড়িত থাকে আৱেগ । মনৰ অধিকাৰ সমূহ আমি প্ৰাধান্যতা দিয়াৰ দৰে আৱেগ বিষয়টোৰ ওপৰতো আমি যিমান পাৰি সিমান গুৰুত্ব দিয়া প্ৰয়োজন। আৱেগৰ ফলতেই বিভিন্ন ধৰণৰ কাৰ্য সংঘটিত হয়। সেয়েহে আৱেগ কেতিয়াও কৌতুক নহয়। আৱেগ সদায় আৱেগ। আৱেগ সুস্থিৰ থাকিলেহে এজন ব্যক্তি মানসিকভাৱে সুস্থিৰ থাকিব পাৰি। সেয়ে আৱেগ এটা মনঃস্তাত্বিক অধ্যায়।

**ম'বাইল ঃ** ৬০০১০-১৮৮৩৮

# শিক্ষানুষ্ঠানৰ মাধ্যমে শিক্ষাৰ্থীৰ ভৱিষ্যত যোগ্যতা নিৰূপণ নকৰে

**■ অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

উচ্চ মাধ্যমিক (মেট্ৰিক) আৰু উচ্চতৰ মাধ্যমিক (হায়াৰ ছেকেণ্ডাৰী) দুয়োটা পৰীক্ষাত শিক্ষাৰ্থীসকলৰ পাৰদৰ্শিতাই অভিভাৱক আৰু শিক্ষাগুৰুসকলৰ মন আনন্দৰে ভৰি পৰে। ময়ো এগৰাকী শিক্ষকৰ পত্নী দেখিছো মোৰ স্বামীয়ে বহুতো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত গঢ়ি তুলিবলৈ হাতত মমবাতি লৈ পথ পদৰ্শক। এইবাৰো তেখেতৰ তত্ত্বৱধানত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাই মন ভৰি পৰিল। শিক্ষাৰ্থীয়ে মনত সদায় লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিব লাগে ।

শিক্ষাবিদ আৰু বিশিষ্ট গুণী জ্ঞানী ব্যক্তিসকলে মত পোষণ কৰিছে-

শিক্ষাৰ মাধ্যম শিক্ষাৰ্থীৰ যোগ্যতাৰ মাপকাঠি নহয়। অসমীয়া বা ইংৰাজী মাধ্যম বুলি কথা নাই। যিকোনো মাধ্যমতে শিক্ষাৰ্থীয়ে নিজৰ জীৱন গঢ়িব পাৰে। মাধ্যম শিক্ষাৰ্থীৰ ভৱিষ্যতৰ অন্তৰায় নহয়। যিকোনো মাধ্যমতে শিক্ষাৰ্থীয়ে জ্ঞান লাভ কৰিব পাৰে, লাগে মাত্ৰ বিদ্যাৰ্থীজনৰ বিষয়টো ভালদৰে অধ্যয়ন কৰিব পৰা ধাউতি, একাগ্ৰতা আৰু এজন সুদক্ষ গুৰু। কাৰণ কোনো এটা বিষয় বা ভাষাৰ জ্ঞান লাভ কৰিবলৈ হ'লে সেই বিষয়টো ভালদৰে অধ্যয়ন কৰিব লাগিব। তাত কোনো শিক্ষাৰ মাধ্যমৰ কথা আহি নপৰে। অসমীয়া বা ইংৰাজী মাধ্যম অন্তৰায় নহয়। শিক্ষাৰ্থীসকলৰ আয়ত্ব কৰা গুণ আৰু বিষয়টোৰ প্ৰতি ৰাপ থাকিব লাগিব।

আমি বস্ত্ৰনগৰী শুৱালকুছিৰ বাসিন্দা, মোৰ স্বামী ৰাতুল চন্দ্ৰ কলিতাৰ একেলগে সতীৰ্থ শিক্ষক আছিল কিছুমান আগতে তেওঁ অৱসৰ লৈছে, দয়াময় দাসৰ দুয়োটা ল'ৰা আমাৰ মাতৃভাষা অসমীয়া মাধ্যমত পঢ়ি বৰ্তমান এজন ডাক্তৰ এতিয়া MDকৰি আছে আৰু আন এজন বিজ্ঞানী হিচাপে গৱেষণাৰ সুবিধা পাইছে। আমাৰ শুৱালকুছিৰ এজন প্ৰতিষ্ঠিত ডাক্তৰ কানাডাৰ ৰিচাৰ্ছ চেন্টাৰত ডাক্তৰ বিকুল দাস তেওঁ কৰ্কট ৰোগ চিকিৎসাত উদ্ভাৱনৰ গৱেষণাত জড়িত হৈ আছে। আমাৰ শুৱালকুছিৰ অসমীয়া মাধ্যমত পঢ়ি যোৱা। জীৱনত বহুত ল'ৰা-ছোৱালীক মোৰ স্বামীয়ে শিক্ষা দান কৰা দেখিছোঁ। কেইবাগৰাকী শিক্ষাৰ্থীয়ে নিজৰ মাতৃভূমিৰ পৰা দূৰত উচ্চ শিক্ষাৰ বাবে গৈ তাতেই প্ৰতিষ্ঠিত হৈছে অসমীয়া মাধ্যমত পঢ়িয়ে যোৱা। দিল্লীত এপলো কৰ্মৰত হাৰ্ট স্পেছিয়েল ডাক্তৰ ভবা নন্দ দাস বুলি ক'লে সকলোৱে চিনি পায়। তেওঁ আমাৰ শুৱালকুছিৰ সন্তান, শুৱালকুছিৰ চৰকাৰী অসমীয়া মাধ্যমত পঢ়ি শিক্ষা লাভ কৰিছিল।

গতিকে মাধ্যম কেতিয়াও অন্তৰায় নহয়। নিজৰ মাতৃভাষা মাধ্যমত পঢ়িও এজন সুদক্ষ ব্যক্তি হ'ব পাৰে।

সত্যমেব জয়তে
অসম চৰকাৰ

# শ্ৰদ্ধাঞ্জলি আঁচনি

## বহিঃৰাজ্যত মৃত্যু হোৱা অসমৰ ব্যক্তিৰ নশ্বৰ দেহ মৰ্যাদা সহকাৰে স্বগৃহলৈ অনাৰ পদক্ষেপ

আঁচনিখনৰ সবিশেষ
সেৱা সেতু
প' ৰ্টেলত উপলব্ধ



### বৈশিষ্ট্যসমূহ

- বহিঃৰাজ্যত বিশেষ পৰিস্থিতিত মৃত্যু হোৱা অসমৰ স্থায়ী বাসিন্দাৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য হ'ব
- আৰ্থিকভাৱে সবল শ্ৰেণী বা নিজাববীয়াকৈ ব্যৱস্থা কৰিব পৰা লোকৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহ'ব
- চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ যোৱা ৰোগীসকলক এই আঁচনিত সামৰি লোৱা নহ'ব
- আঁচনিখন ৰূপায়ণত গৃহ আৰু ৰাজনৈতিক বিভাগৰ তত্ত্বাৱধানত অসম আৰক্ষীয়ে সমন্বয় ৰক্ষা কৰিব

### আৰক্ষীৰ সৈতে যোগাযোগ কৰিবলৈ-

- ৯১৮১০-১৪৮৮৮
- ১১২
- ০৩৬১-২৩৮১৫১১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# অসমীয়া সমাজ জীৱনৰ পৰম্পৰা উৎসৱ ন-খোৱা উৎসৱ



**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া সমাজ জীৱনৰ পৰম্পৰা উৎসৱ ন-খোৱা। আঘোন মানেই সোনগুটিৰে ভৰালটো টনকীয়াল কৰি চহা খেতিয়ক সকলৰ সীমাহীন আশাবোৰ পূৰণ কৰাৰ হেঁপাহ। ঘৰলৈ আনি নতুন ধানৰ নতুন চাউল উলিয়াই তাৰে ন-খোৱা উৎসৱ পতা হয়। সেই উদ্দেশ্যেৰে ভাৰতীয় জনতা পাৰ্টি কৃষক মৰ্চা অসম প্ৰদেশৰ উদ্যোগত আৰু আকাংক্ষা কৃষি গোটৰ সহযোগত যোৱা ১৪ ডিচেম্বৰত কামৰূপ জিলাৰ চাংসাৰিৰ আঠিয়াবৈ খেতি পথাৰত অসমীয়া সমাজৰ পৰম্পৰা উৎসৱ ন-খোৱা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। জৈৱিকভাৱে উৎপাদিত সামগ্ৰীৰে প্ৰস্তুত কৰা এই ন-খোৱা অনুষ্ঠানত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, অসম বিধানসভাৰ বিধায়ক দিগন্ত কলিতা, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি পংকজ বৰবৰা, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদকদ্বয় ৰঞ্জিত ভট্টাচাৰ্য্য আৰু সঞ্জীৱ বড়া, ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক মহেশ দেউৰী, বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ ক্ৰমে ৰঞ্জীৱ শৰ্মা, প্ৰিয়ংকা তামুলী, প্ৰাঞ্জল কলিতা, ভাৰতীয় জনতা পাৰ্টি গুৱাহাটী মহানগৰ জিলাৰ জিলা সভাপতি তপন দাস, ৰাজ্যিক মিডিয়া সম্পৰ্ক বিভাগৰ ধ্ৰুৱজ্যোতি মৰল, সহঃ আহ্বায়ক ধ্ৰুৱ হাজৰিকা, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি ক্ৰমে নিবাৰন লহকৰ আৰু ভাস্কৰ হাজৰিকা, ৰাতুল পাঠক, দিলীপ শৰ্মা, তিলক চৌধুৰী, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক হৰদ্বীপ চৌধুৰী, পংকজ বৰুৱা, অসমী বৰা, বিশ্বজিৎ বাচাক, কৃষক মৰ্চাৰ মিডিয়া আহ্বায়ক প্ৰদীপ বৰ্মন, কৃষক মৰ্চাৰ ৰাজ্যিক কাৰ্যালয় সম্পাদক প্ৰকাশ শইকীয়া, সহঃ কাৰ্যালয় সম্পাদক প্ৰিতম গোস্বামী, কৃষক মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সদস্য ক্ৰমে হৃষিকেশ কলিতা, কাবেন্দ্ৰ ডেকা, মৃদুল প্ৰীতম ডেকা, ৰাজীৱ দাস, অনুৰাগ ৰাজখোৱা, আকাংক্ষা কৃষি গোটৰ সভাপতি বুবুল ভৰালী, কৃষক মৰ্চা উত্তৰ কামৰূপ জিলাৰ সভাপতি মাধৱ বৰা, গুৱাহাটী মহানগৰ জিলা কৃষক মৰ্চাৰ সভাপতি মৃণাল দাস, কামৰূপ জিলা কৃষি বিভাগৰ জ্যোতিপ্ৰসাদ দাসৰ লগতে স্থানীয় কৃষক ৰাইজ আৰু ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ বিশাল সাধাৰণ সভা

## নতুন পেন্সন ব্যৱস্থা আৰু ইউ পি এছ পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা পুনঃ প্ৰৱৰ্তন কৰিবলৈ দাবী




**ৰমেন ভৰালী, বংশৰ ঃ** সদৌ অসম চৰকাৰী এন. পি. এছ. কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত নতুন পেন্সন ব্যৱস্থা আৰু ইউ পি এছ পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা পুনঃ প্ৰতিষ্ঠাৰ দাবীত যোৱা ১৪ ডিচেম্বৰত চৰকাৰী কৰ্মচাৰী সমাজৰ এক বিশাল সাধাৰণ সভা অনুষ্ঠিত হয়। পছৰীয়া ৰামস্বতী প্ৰেক্ষাগৃহত সদৌ অসম চৰকাৰী এন.পি.এছ. কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ সভাপতি জগত চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিশাল সাধাৰণ সভাত সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ উপদেষ্টা ৰমেন ভৰালীয়ে কয় যে নতুন পেন্সন ব্যৱস্থা হৈছে ভাৰত চৰকাৰৰ দ্বাৰা ২০০৫ চনত আৰম্ভ কৰা এক সংজ্ঞায়িত অৰিহণাভিত্তিক পেঞ্চন আঁচনি, য'ত কৰ্মচাৰীয়ে নিজৰ অৱসৰৰ বাবে সঞ্চয় কৰে, যাৰ ফলত অৱসৰৰ পিছত নিশ্চিত আয় নিশ্চিত হয় আৰু এই ব্যৱস্থাই পুৰণি নিশ্চিত পেঞ্চন আঁচনিৰ পৰিৱৰ্তন কৰিছিল, শেহতীয়াকৈ চৰকাৰে পুৰণি ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ বাবে 'ইউনিফাইড পেন্সন স্কিম' আৰম্ভ কৰিছে। এন. পি. এছ. আৰু ইউ. পি. এছ. বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা পুনঃ প্ৰৱৰ্তন কৰিবলৈ দাবী জনায়। তেখেতে ভাষণ প্ৰসংগত আৰু যে ২০০৫ চনত নিযুক্ত সকলো চৰকাৰী কৰ্মচাৰী সকলক একগোট হৈ সজোৰে দাবী উত্থাপন কৰিবলৈ আহ্বান জনায়। সভাত সদৌ অসম ই.পি.এছ-৯৫ পেন্সনাৰ সন্থাৰ যুটীয়া সম্পাদক হৰিচৰণ কলিতাই কয় যে এন পি এছ পেন্সন ব্যৱস্থা আৰু ইউ পি এছ পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা বাহাল ৰাখিবলৈ দাবী জনায় আৰু সকলোকে ধৈৰ্য্য ধৰি আগবঢ়াবলৈ আহ্বান জনায়। সভাত সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি দীপক কুমাৰ তালুকদাৰে পুৰণি পেঞ্চন ব্যৱস্থা সৈতে তুলনা কৰি ই এক নিশ্চিত পেঞ্চন আছিল, য'ত অৱসৰৰ পিছত নিশ্চিত আৰু নিৰ্ভৰযোগ্য আয় নিশ্চিত আছিল কিন্তু এন পি এছ পেন্সন ব্যৱস্থাই বজাৰৰ ওপৰত নিৰ্ভৰশীল, য'ত আয়ৰ নিশ্চয়তা কম বুলি কয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তনুৰাম কলিতা, প্ৰদীপ নাৰায়ণ ভট্ট, ভূপেন ডেকা, শিক্ষক প্ৰাণকৃষ্ণ দাস, পছৰীয়া গাঁও পঞ্চায়তৰ সভাপতি ৰঞ্জুপ্ৰভা দাস সাধাৰণ সভাত উপস্থিত থাকি নতুন পেন্সন ব্যৱস্থা আৰু ইউ পি এছ পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা পুনঃ প্ৰৱৰ্তন কৰিবলৈ দাবী জনায় ভাষণ দিয়ে। সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ কামৰূপ জিলা সমিতিৰ সম্পাদক দিপক কলিতাই আঁতধৰা আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সাধাৰণ সভাৰ শেষত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংস্থা আৰু বিশিষ্ট ব্যক্তি, অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ জড়িয়তে এখন সমন্বয় সমিতি গঠন কৰি পৰামৰ্শদাতা হিচাপে কাম কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয় ইয়াৰ উপৰিও নতুন পেন্সন ব্যৱস্থা আৰু ইউ পি এছ পেন্সন ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন ব্যৱস্থা পুনঃ প্ৰৱৰ্তন কৰিবলৈ দাবী জনায় প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু কেইবাটাও ভৱিষ্যত কাৰ্যপন্থা গ্ৰহণ কৰা হয়।

# ৫ নং পূৰ্বজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন সম্পন্ন



**বিশেষ সংবাদদাতা, শিমলুগুৰি ঃ** বিশ্বনাথ জিলাৰ ছয়দুৱাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত পুলিচোমণিৰ ৫ নং পূৰ্বজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন আৰু অভিভাৱক সন্মিলনখনি যোৱা ১৫ আৰু ১৬ ডিচেম্বৰত শুভাকাংক্ষী ৰাইজৰ সহযোগত উলহ-মালহেৰে উদ্‌যাপন কৰা পৰিলক্ষিত হয়। কুঁৱৰীগড় অংগনবাড়ী কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সহযোগত প্ৰথম দিনা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে সমাজকৰ্মী তৰুণ গগৈয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰিয় কুমাৰ দেৰ উদ্বোধনী ভাষণৰ পিছতে জীৱন চন্দ্ৰ ৰয়ৰ অধ্যক্ষতাত কৃষ্টি প্ৰতিযোগিতা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ সপ্তাহৰ মুকলি সভাৰ উদ্বোধন কৰে প্ৰাক্তন প্ৰধান শিক্ষক মহেন্দ্ৰ মোহন দুৱৰাই আৰু সভাপতিত্ব কৰে প্ৰাক্তন প্ৰধান শিক্ষক অৰুণ মুদৈয়ে। ছাত্ৰ-ছাত্ৰীৰ সৰ্বতোমুখী বিকাশ সাধনৰ লগতে শিক্ষক অভিভাৱকৰ দায়িত্ব আদি প্ৰসঙ্গত সাৱলীলভাৱে নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য আগবঢ়ায় শিমলুগুৰি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কবি বিতোপন গগৈয়ে। মুখ্য অতিথি আৰু বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে প্ৰাক্তন প্ৰধান শিক্ষক ইন্দ্ৰেশ্বৰ বৰা আৰু পূব ডুবিয়া মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পৱিত্ৰ ভূঞা, শিক্ষক নৱজ্যোতি হাজৰিকা, দেৱাশীষ ভাগৱতী, বিপ্লৱ বৰুৱা, কবিতা বৰুৱা, মানিক ফুকন। প্ৰধান শিক্ষক কুমুদ বৰগোঁহাই, সহঃ শিক্ষক কেশৱ বৰপাত্ৰ, অংগনবাড়ী কেন্দ্ৰৰ পৰিচালিকা মিন্টুলতা দুৱৰা, পম্পী নেওগ, দীপালী বৰা আদিৰ চেষ্টাত ছাত্ৰ-ছাত্ৰীসকলৰ সাংস্কৃতিক উত্তৰণ প্ৰশংসনীয়। বৃষ্টি ৰেখা গগৈ, ভাস্বতী দুৱৰা, আৰধ্যা শইকীয়া, দৃষ্টি গগৈ আদি ছাত্ৰীয়ে গীত-নৃত্য পৰিৱেশন কৰে। উল্লেখ্য যে, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সান্তনা বৰা দুৱৰাই বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। বিকাশ গগৈ আৰু ছাত্ৰ সংসদৰ জিজ্ঞাসা বৰাই শলাগ জ্ঞাপন কৰে।

# শিৱসাগৰত কবি অশ্ৰুমণি দত্ত ঘোষৰ 'বিহু ঃ ঐতিহ্য আৰু পৰম্পৰা' আৰু 'অনুনাদ' উন্মোচন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** 'প্ৰজ্ঞা প্ৰকাশন'ৰ উদ্যোগত যোৱা ১৪ ডিচেম্বৰত কথাশিল্পী ইমৰান শ্বাহৰ বাসগৃহত জনপ্ৰিয় কবি-লেখিকা অশ্ৰমণি দত্ত ঘোষৰ দুখনকৈ গ্ৰন্থ ক্ৰমে 'বিহু ঃ ঐতিহ্য আৰু পৰম্পৰা' আৰু 'অনুনাদ' উন্মোচন কৰা হয়। গ্ৰন্থ উন্মোচন কৰে অসমৰ এগৰাকী নমস্য ব্যক্তি পদ্মশ্ৰী বঁটাৰে সন্মানিত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কথাশিল্পী ইমৰান শ্বাহ আৰু বিশিষ্ট সাহিত্যিক, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। উপাচাৰ্যগৰাকীয়ে গ্ৰন্থ উন্মোচন কৰি, নীৰৱচ্ছিন্নভাৱে সাহিত্যচৰ্চা কৰি অহা লেখিকাই অসমীয়া সাহিত্যৰ বৰঙণি আগবঢ়োৱাৰ ক্ষেত্ৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি কোৱাৰ লগতে গ্ৰন্থ দুখন পাঠকে আদৰি লোৱাৰ আশা প্ৰকাশ কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কৰ্মকৰ্তা সন্তোষ দত্তই আঁত ধৰা অনুষ্ঠানত সাহিত্যিক দীপালী ভট্টাচাৰ্য বৰুৱাই অনুভৱ ব্যক্ত কৰাৰ লগতে কথাশিল্পী ইমৰান শ্বাহে লেখিকা অৰ্থাৎ শিৱসাগৰ কবি চক্ৰৰ সভাপতি অশ্ৰুমণি দত্তক আশীৰ্বাদ প্ৰদান কৰে। উক্ত অনুষ্ঠানত লেখক ভাৰত শৰ্মা, শিৱসাগৰ জিলা ই-মিডিয়া সন্থাৰ সভাপতি জয়জ্যোতি গগৈ, সংবাদসেৱী ক্ৰমে নাজিউল্লা হাজৰিকা, অমৃতৰাজ বৰা, কলঞ্চুপাৰ শাখা সাহিত্য সভাৰ সভাপতি সূৰ্যকান্ত দাস, সম্পাদক প্ৰশান্ত বৰগোহাঁইকে ধৰি কেইবাজনো গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# শুৱালকুছিৰ ৰিতম পুথিভঁৰালত জুবিন গাৰ্গৰ কথাৰে শীৰ্ষক গ্ৰন্থ উন্মোচন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসমীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত ১৬ ডিচেম্বৰত শুৱালকুছিৰ ৰিতম পুথিভঁৰালত বিকাশ কলিতাৰ ৰচিত 'জুবিন গাৰ্গৰ কথাৰে' গ্ৰন্থ এখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি পৰাগ কলিতা নামৰ জুবিন অনুৰাগী এজন ৰিস্কা চালকে জুবিন গাৰ্গৰ সান্নিধ্য কি দৰে লাভ কৰি নিজকে ধন্য হৈছিল সেই বিষয়ে উল্লেখ কৰে। তেওঁ শুৱালকুছিৰ পৰা সোণাপুৰ জুবিন ক্ষেত্ৰলৈ পদব্ৰজে যোৱা কথা উল্লেখ কয় যে, প্ৰাণৰ শিল্পী জুবিন দা সাগৰ সদৃশ অন্তৰৰ লোক আছিল। জুবিন গাৰ্গক এনেয়ে ভাল পালে নহ'ব। তেওঁ ভাল পোৱা প্ৰকৃতি মানুহ জীৱ জন্তুক ভাল পোৱাৰ দৰে আমি তেঁওৰ আদৰ্শ জীয়াই ৰাখিব লাগিব। তেতিয়াহে অমৃত কণ্ঠশিল্পী গৰাকীক আমি অন্তৰেৰে জীয়াই ৰাখিব পাৰিম। উন্মোচনী সভা সঞ্চালনা কৰে শুৱালকুছি জুনিয়ৰ কলেজৰ অধ্যক্ষ ড° হৰমোহন দাস। সভাত বক্তা হিচাপে উপস্থিত থাকি শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধিয়ে বক্তব্যত কয় যে অসমে প্ৰকৃত স্বাভিমানী অসমৰ সম্পদ হেৰুৱাইছে। আমি পৰৱৰ্তীকালত এনে মহান লোক ৰাইজে পাম তাত সন্দেহ আছে। তেওঁৰ কৰ্মৰাজী নৱ প্ৰজন্মই জীয়াই ৰাখিব লাগিব। শুৱালকুছিৰ লেখিকা কুমাৰী কামদা বৈশ্যই সমজুৱাৰ বক্তব্যত কয় যে সুধাকণ্ঠ জুবিন গাৰ্গৰ গুণৰ তুলনাত আমি একো একোজন ক্ষুদ্ৰ ধুলিকণা মাথোঁ। তেওঁৰ মৃত্যু হোৱা নাই তেওঁ অমৰ বুলি কৈ জুবিন গাৰ্গৰ স্মৰণত এটা স্ব-ৰচিত গীত পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। শুৱালকুছি ৰিতম পুথিভৰালত অনুষ্ঠিত উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাংবাদিক হৰি প্ৰসাদ দাসে। সমজুৱাৰ বক্তব্যত শুৱালকুছি কালিৰাম কাৰিকৰ হাইস্কুলৰ প্ৰধান শিক্ষক দিবাকৰ কলিতাই কয় যে জুবিন গাৰ্গ জীৱিত কালত সমালোচিতই হৈ থাকিল। কিন্তু মৃত্যুৰ পিছত তেওঁৰ সাগৰ সদৃশ বিশাল ব্যক্তিত্ব প্ৰকাশ হ'ল আৰু সকলো প্ৰজন্মৰ লোকে আন্তৰিকতাৰে গ্ৰহণ কৰে। অনুষ্ঠানত বিশিষ্ট কবি মলিন কলিতাই নিজৰ ভাষণত কয় যে জুবিন গাৰ্গৰ কথাৰে গ্ৰন্থৰ ৰচক বিশিষ্ট নাট্যশিল্পী তথা লেখক বিকাশ কলিতাই নিশব্দে বৌদ্ধিক আন্দোলন কৰি আছে। ৰিতম পুথিভৰাল স্থাপন 'কুঁকিত কুৰি গদ্য, তিনিকুৰি প্ৰেমৰ কবিতা, আৰু অগ্ৰদূতৰ কথা মালিতা আৰু শেহতীয়াকৈ সুধাকণ্ঠ জুবিন গাৰ্গৰ কথাৰে' চাৰিখন গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য জগতলৈ অৱদান আগবঢ়োৱা বুলি উল্লেখ কৰি অন্তৰৰ শিল্পী গৰাকীৰ সোঁৱৰণত লিখা এটা দিহানাম আওৱাই আমোদ দিয়ে। সভাত লেখক সাংবাদিক তথা শিক্ষাবিদ যোগেন্দ্ৰ ভৰালীয়ে সমাজ সংস্কাৰৰ বিষয়ত বিশদ আলোচনা কৰাৰ লগতে তেওঁ লেখক বিকাশ কলিতাক পুৰ্বৰ নাট্যশিল্পৰ কামতো মনোনিৱেশ কৰাৰ আহ্বান জনায়। লেখক বিকাশ কলিতাই লেখকৰ বক্তব্যত কয় যে অসমৰ সত্বা জুবিন গাৰ্গক হেৰুৱাই ৰাইজেই নহয় চৰকাৰো মৰ্মাহত। যিহেতু চৰকাৰে অন্তৰৰ শিল্পী গৰাকীৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথিত বিষয় অন্তৰ্ভুক্ত কৰিব সেয়ে ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱা আৰু তেওঁৰ প্ৰতি স্মৰণ কৰাৰ বাবেই এই ক্ষুদ্ৰ কিতাপখন ৰচনা কৰা বুলি প্ৰকাশ কৰে। গ্ৰন্থখনত জুবিন গাৰ্গে সময়ে সময়ে কৰা বিভিন্ন বক্তব্য সমূহ বাণী হিচাবে উল্লেখ কৰাৰ কথায়ো দোহাৰে। পাঠক ৰাইজে গ্ৰন্থখন আদৰিলে তেওঁৰ চেষ্টা সফল হ'ব বুলি কয়। সভাৰ পূৰ্বে নিহাৰিকাৰ কবিতা এটা আবৃত্তি কৰে কবি লভিতা দাসে।

# গীত আৰু জীৱন দুয়োটা একে সুৰতে বন্ধা

■ **নমিতা দাস,** শুৱালকুছি

**জী**ৱনৰ গতি পথৰ দৰে গীতৰ পথো সময়ে সময়ে সলনি হৈ গৈ থাকে। গীততে থাকে জীৱনৰ ৰঙবোৰ শোকবোৰ উৎসাহ, মৰম, ভালপোৱা সেইবাবে জীৱনৰ বাটৰ সুখ-দুখ, হাঁহি-কান্দোনৰ অন্য নামেই হৈছে জীৱন।

কিছুমান গীতে স্বতঃস্ফূৰ্তভাৱে উপলব্ধ কৰাই অন্তৰত অফুৰন্ত আনন্দ দিয়ে জীৱনটোক সুন্দৰ কৰিবলৈ প্ৰেৰণা দিয়ে, গীতে আনে জীৱন জাপনৰ ৰং। পলাশ, মদাৰ শিমলু আৰু কৃষ্ণচুড়াৰ ৰঙেৰে ৰঙিয়াল হৈ ৰঙবোৰেৰে জীৱনটোক আগুৱাই লৈ যায়। আকৌ আন কিছুমান গীতে প্ৰকৃতিৰ শোভা বৰ্ধন কৰোৱাই বিশেষকৈ বিহু গীতবোৰত প্ৰকৃতিৰ কথা বেছিকৈ শুনিবলৈ পাওঁ। আন কিছুমান গীতে সমাজ জীৱনৰ ছবি দাঙি ধৰে। সমাজৰ ৰীতি-নীতি, সমাজৰ আও পুৰণি ব্যৱস্থাবোৰ গীতেৰে সংযোধন কৰাৰ বাবে সেয়া যেন সমাজলৈ আহ্বান। জীৱনটো সুন্দৰকৈ উপভোগ কৰাৰ বাবে মানসিক সুস্থিৰতাৰে সাতোৰঙী ইন্দ্ৰধনু গঢ়ি গীতেৰেই সংগ্ৰাম কৰি জীৱনৰ বাট মুকলি কৰাৰ প্ৰয়াস কৰিব পাৰি। গীতৰ কলি এটাই শাৰীৰিক প্ৰতিবন্ধকতা, মানসিক অসুস্থতা দূৰ কৰাই লগতে বৰ্তমান সময়ত গীতক চিকিৎসাৰ অংশ হিচাপে ব্যৱহাৰ কৰি সুফল পাবলৈ সক্ষম হৈছে। গতিকে গীতৰ কলি এটাই মানুহৰ জীৱনৰো সাতোৰঙী ইন্দ্ৰধনু স্বৰূপ। আকাশত ওলোৱা ইন্দ্ৰধনুৰ দৰে জীৱনলৈও ৰঙৰ প্ৰেৰণা আৰু নতুন জোৱাৰ আনে।

বিদ্যাবুলি ক'লে আমি সাধাৰণতে লিখা-পঢ়াৰ কথাই ভাবো যদিও প্ৰতিটো নিপুণ কৰ্মতে বিদ্যা প্ৰয়োগ হয়। যিদৰে সুৰ, তাল, লয়ৰ লগতে সুন্দৰ শব্দ প্ৰয়োগ আৰু বাদ্যৰ ব্যৱহাৰে যিদৰে এটি গীতে মানুহৰ হৃদয়ত সোমায় অফুৰন্ত আনন্দ দি মানসিক দৃঢ়তা শাৰীৰিক ক্ষমতা সমাজিকভাৱে উন্নিত কৰে সেইদৰে জীৱনৰ গতি পথতো লয়, তাল শুদ্ধতাৰ প্ৰয়োগে জীৱনৰ স্থিতি সলাই পেলায়। সময়ে সলনি কৰে জীৱন নিৰ্বাহৰ গতিপথ।

সমাজখনৰ কিছুমান এলান্ধু আঁতৰাবলৈ জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, সুধাকণ্ঠ ভূপেন হাজৰিকাকে ধৰি অসমৰ হাৰ্টথ্ৰৱ জুবিনগাৰ্গেও গীতৰমাজেৰে সমাজ সংস্কাৰ কৰিবলৈ আহোপুৰুষাৰ্থ চেষ্টা কৰি গৈছে সেইদৰে মানুহৰ মাজত থাকি জয়মতী, কনকলতা মহামানৱ মহাত্মা গান্ধী, আমাৰ মহান নেতা আৰু শিল্পীসকলে বাট দেখুৱাই থৈ গৈছে। গতিকে জীৱনত কিছুমানে গীতেৰে আৰু কিছুমানে কৰ্মৰে সমাজ জীৱনত তেওঁলোকৰ আদৰ্শ জিলিকাই ৰাখিছে।

গীত আৰু জীৱন দুয়োটা অভিন্ন। পুৰণি দিনৰ গীতবোৰৰ শব্দৰ প্ৰয়োগ গায়কি সুৰ আৰু অভিনয় বৰ্তমান সময়ৰ গীতত কৈ অলপ বেলেগ বৰ্তমান আধুনিকতাৰ প্ৰভাৱত গীতৰ কথা আৰু সুৰ শব্দৰ প্ৰয়োগ গায়কীৰ প্ৰভেদ পৰিলক্ষিত হয়। গীতে যেনেকৈ সময়ৰ লগত ৰং সলাই সেইদৰে জীৱনেও প্ৰাচিন কালৰ পৰা বৰ্তমান সময়লৈ জীৱন জীয়াৰ পদ্ধতি বেলেগ হৈ গৈ আছে। বিভিন্ন সময়ত কৰ্মৰাজিৰ জৰিয়তে জীৱনৰ উদ্‌যাপনৰ প্ৰক্ৰিয়া সলনি হোৱাৰ সমানে গীতৰ ৰঙবোৰ সলনি কৰে। সেয়েহে জীৱন আৰু গীত দুয়োটা একে সুৰৰ মিল দেখিবলৈ পাওঁ।

**ম'বাইল ঃ** ৯১০১৮-৩৪৯৪৫

# শুৱালকুছি সেউজী চ'ৰাৰ ৩৬ সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** অসমৰ অন্যতম সাহিত্যৰ অনুষ্ঠান শুৱালকুছি সেউজী চ'ৰাৰ ৩৬ সংখ্যক বাৰ্ষিক অধিৱেশনখনি ২৪ আৰু ২৫ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে স্থানীয় শ্ৰীশ্ৰী শংকৰদেৱ ধাম প্ৰাঙ্গণত পালন কৰা হ'ব। কাৰ্যসূচী অনুসৰি ২৪ ডিচেম্বৰৰ আবেলি ৪ বজাৰ পৰা চ'ৰাৰ সদস্য-সদস্যাৰ বাবে বিষয় বাচনি সভা অনুষ্ঠিত কৰা হ'ব। বিষয় বাচনি সভা উদ্বোধন কৰিব চ'ৰাৰ উপ-সভাপতি দুলু কলিতাই। ২৫ ডিচেম্বৰৰ পুৱা ৯ বজাত অধিৱেশনৰ পতাকা উত্তোলন কৰিব সভাপতি হেমেন পাঠকে। বন্তি প্ৰজ্বলন কৰিব বিশিষ্ট সমাজকৰ্মী তীৰ্থনাথ কাকতিয়ে। স্মৃতি তৰ্পণ কৰিব সমাজকৰ্মী তথা মধ্য শুৱালকুছি গাঁও পঞ্চায়তৰ সভাপতি অনিল বৈশ্যই। ১০ বজাৰ পৰা বিশিষ্ট কবি বিপুল কুমাৰ দত্তৰ সোঁৱৰণত কবি সন্মিলন অনুষ্ঠিত কৰা হ'ব। প্ৰায় ১২০ গৰাকী কবি সাহিত্যিকে অংশগ্ৰহণ কৰিবলগীয়া কবি সন্মিলনৰ সঞ্চালনা কৰিব বিশিষ্ট কবি সৌৰভ শইকীয়াই। দিনৰ ৩ বজাৰ পৰা হেমেন পাঠকৰ সভাপতিত্বত চ'ৰাৰ ৩৬ সংখ্যক অধিৱেশনৰ মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত চ'ৰাৰ মুখপত্ৰ 'সেউজ কণ্ঠ' উন্মোচন কৰিব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° যোগেশ ডেকাই। উল্লেখ্য যে, ১৯৮৯ চনৰ পৰা বৰ্তমানলৈ অবিৰতভাৱে সেউজী চ'ৰাই মুখপত্ৰ 'সেউজ কণ্ঠ' প্ৰকাশ কৰি আহিছে। সভাত মুখ্য অতিথি হিচাপে 'সেউজী সেউজী'ৰ মুখ্য সম্পাদক তৰুণ বৰ্মন, নিৰ্দিষ্ট বক্তা হিচাপে 'দাপোণ' কাকতৰ মুখ্য সম্পাদক দীনমণি ভাণ্ডাৰ কায়স্থ উপস্থিত থাকিব। সভাত বৃহত্তৰ শুৱালকুছি অঞ্চলৰ ৫ গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে ডাঃ মহেশ চন্দ্ৰ বৈশ্য, অৱসৰী শিক্ষক জয়দেৱ শৰ্মা, অৱসৰী শিক্ষক ভূধৰ বৈশ্য, অৱসৰী প্ৰধান শিক্ষক কুলধৰ চৌধুৰী আৰু অৱসৰী শিক্ষক যোগেন্দ্ৰ নাথ ভৰালীক সম্বৰ্ধনা জনোৱা হ'ব। উল্লেখ্য, এইবেলি 'সেউজ বঁটা' বিশিষ্ট কবি তথা শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অৱসৰী সহঃ অধ্যাপক ড° চিত্তৰঞ্জন দাসক প্ৰদান কৰা হ'ব বুলি চ'ৰাৰ সম্পাদকে জানিবলৈ দিছে।

# ২৫ ডিচেম্বৰত মাজুলীৰ এলেঙ্গী টকৌবাৰী সত্ৰত অনুষ্ঠিত হ'ব 'অনাতাঁৰ মৰম পৰিয়ালৰ ষষ্ঠদশ প্ৰতিষ্ঠা দিৱস'

**বিকাশ শইকীয়া, মাজুলী ঃ** ২০১০ চনৰ ২৫ ডিচেম্বৰত মাজুলীৰ মূদৈবিল অঞ্চলত প্ৰতিষ্ঠা লাভ কৰিছিল উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰেডিঅ' শ্ৰোতা সংঘ 'অনাতাঁৰ মৰম পৰিয়াল'। মূলত ৰেডিঅ'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে কাম কৰি থকা পৰিয়ালটোৱে বিভিন্ন কাৰ্যসূচীৰ লগতে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বাৰ্ষিক মুখপত্ৰ 'মৰম এক যোগসূত্ৰ' নামেৰে কেৱল ৰেডিঅ' সম্পৰ্কীয় লেখাৰে এখনি পত্ৰিকা প্ৰকাশ কৰি আহিছে। প্ৰতিষ্ঠা দিৱসত প্ৰতিবছৰে পৰিয়ালটোৱে ৰেডিঅ'ৰ সৈতে জড়িত একোজন ব্যক্তিক প্ৰদান কৰি আহিছে 'শ্ৰোতা প্ৰেৰণা বঁটা' আৰু এজন শ্ৰোতাক বছৰটোৰ শ্ৰেষ্ঠ 'অনাতাঁৰ শ্ৰোতাবন্ধু বঁটা'। পৰিয়ালটোৱে এই বৰ্ষৰ 'শ্ৰোতা প্ৰেৰণা বঁটা-২০২৫' আগবঢ়াইছে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰলৈ আৰু বছৰটোৰ শ্ৰেষ্ঠ 'অনাতাঁৰ শ্ৰোতা বন্ধু-২০২৫' বঁটা দুজনকৈ আকাশবাণীৰ জ্যেষ্ঠ শ্ৰোতা ক্ৰমে ধেমাজি চিচি কেৰেকণি মাজ গাঁৱৰ মহেশ্বৰ চুতীয়া আৰু তিনিচুকীয়া কাকপথাৰ ১ নং তেজী গাঁৱৰ দীপক মৰাণলৈ। পৰিয়ালটোৱে বাচনি কৰি দিয়া বঁটা বাছনি সমিতিয়ে এই কথা পৰিয়ালটোৰ সভাপতি-সম্পাদকক জনোৱাৰ পাছত পৰিয়ালটোৰ ২১১ সংখ্যক ফোন কনফাৰেন্স সভাত সংযোগ হোৱা সদস্যসকলক সভাপতি-সম্পাদকে অৱগত কৰে। অহা ২৫ ডিচেম্বৰত মাজুলীৰ শ্ৰীশ্ৰীএলেঙ্গী টকৌবাৰী সত্ৰত অনুষ্ঠিত হ'ব লগা পৰিয়ালটোৰ ষষ্ঠদশ (১৬ তম্) প্ৰতিষ্ঠা দিৱসত পৰিয়ালটোৱে এই বঁটা প্ৰদান কৰিব। বঁটাত থাকিব একোটা ৰেডিঅ' চেট্ , একোটিকৈ স্মাৰক, জাপি, সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু একোটাকৈ গছপুলি। সেইদিনা অনুষ্ঠানটিত অসমৰ বিভিন্ন ঠাইৰ পৰিয়ালটিৰ সদস্যসকলৰ লগতে অঞ্চলটিৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকল উপস্থিত থাকিব বুলি পৰিয়ালটিৰ প্ৰতিস্থাপক মাজুলী শইকীয়া, মুখ্য উপদেষ্টা জয়বৰ পাংগিং, বিনোদ গগৈ, মুন বৰা, সভাপতি নকুল গগৈ আৰু সম্পাদক নিতু দেৱে জানিবলৈ দিছে।

# চাৰিঙৰ ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ত হীৰক জয়ন্তী উদ্‌যাপন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তৰ্গত চাৰিঙ দুৰৱাপাৰস্থিত ৮৯৫ নম্বৰ ন-আলি প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা হীৰক জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানত শিৱসাগৰ জিলা ভিত্তিত প্ৰাইজমানি আধুনিক নৃত্য আৰু ভাওনাৰ সংলাপ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতীয়ে। উল্লেখযোগ্য যে বিদ্যালয়খনৰ নিচেই সমীপতে ভাৰতীয় স্বাধীনতা আন্দোলনৰ শ্বহীদ মণিৰাম দেৱান আৰু অসমৰ প্ৰথম মহিলা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী সুখলতা আৰু সুধালতা দুৱৰাৰ জন্মস্থান। প্ৰতিযোগিতাখনিত বিচাৰক হিচাপে উপস্থিত থাকে পৰিৱেশ্য কলাৰ বিশাৰদ তথা বিচাৰকত্ৰয় ক্ৰমশঃ উজ্বল খনিকৰ, ৰঞ্জন দত্ত আদি। উক্ত অনুষ্ঠানত বহুকেইগৰাকী গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে বুলি বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী অলকা কাকতী আৰু পৰিচালনা সমিতিৰ সভাপতি মানস দুৱৰাই জানিবলৈ দিয়ে।

## হৃদয়ে কথা ক'ব পাৰে

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

চাৰি চকুৰ মিলনত হৃদয়ে
কথা কয় হৃদয়ে চুই চাই তোমাক
সংগোপনে, বৰ সংগোপনে।
জীয়াই যন্ত্ৰণাৰে আশ্ৰয় লও
প্ৰশমিত হওঁক বুলি হৃদয়
দুৱাৰৰ চৌকাঠত আশ্ৰয় লও
ঢুকি নাপাওঁ স্পৰ্শৰ শক্তি নাই
ক্ৰমশঃ তুমি আঁতৰি যোৱা মোৰ পৰা
মই আঁতৰি যাওঁ তোমাৰ পৰা
চকুত চকু থৈ আঁতৰি গ'লা দূৰণীলৈ
নিমিষতে নামি আহে বিষাদ
প্ৰতিডাল হৃদয়তন্ত্ৰী ঠক ঠক কৰে কঁপে
চকুলোৰ বণ্যাত ব্যৰ্থাৰ উমান।
ক্ষণিক সময়ৰ বাবে
দুচকুৰ সাগৰ নীলাভ ঢৌ
আহিছিলা কিয় তিয়াবলৈ দুচকুৰ পতা
ব্যৰ্থাভৰা সুবাস ঢালিবলৈ
মোৰ জীৱনলৈ তুমি।
সমুদ্ৰত অচিন ধুমুহা কুটিল গতি
আৱেগৰ কুঁৱলী ফালি
হিয়াভগা কান্দোনৰ অৰণ্যৰোদন।
মনৰ বলুকাত অলেখ শৰালি
শৰতৰ প্ৰেমিক পাহাৰ
কষটি শিলত জাহ যোৱা প্ৰেম,
চাৰি চকুৰ মিলনত হৃদয়ে
কথা কয় হৃদয়ে চুই চাই তোমাক।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## এখন জোনাকী পৃথিৱী

**যমুনা দুলু বৈশ্য**
শুৱালকুছি

প্ৰতিটো পুৱাৰ ৰেঙণিয়ে আনি দিয়ক
আশাৰে তেজাল মনৰ বতৰা
জ্যোৎস্নাৰে জিলিকি জোনাকীৰে
হৃদয়ত আঁকিব আকাশ উজ্বল তৰা
য'ত পখিলাৰ পাখিমেলি
বিচৰণ কৰি হৃদয়ে হৃদয়লৈ
জীপাল কৰিব তোমাৰে পদূলি,
বৰষুণৰ নুপূৰত বাজি উঠিব
শব্দৰ পৰাণ সুৰৰ অমিয়া ঝংকাৰ,
পোহৰৰ ঠিকনাৰে এখোজ দুখোজকৈ
স্ৰোতস্বিনী সাগৰৰ ঢৌতে মিলি
ৰামধেনুৰ ৰহণ আঁকিব
আজি যে এই শুভদিনত,
এখন জোনাকী পৃথিৱীৰ বাটে,
তাত নাই বৈৰাগীৰ কঙালৰ আৰ্তনাদ
নাথাকে কান্দোনৰ, কাঁইটীয়া বাট,
মৰম ভালপোৱাৰে বৰ সাঁকো বান্ধে
জীৱনৰ হেঁপাহবোৰৰ সৈতে,
সোণে সঁজা সংসাৰত থাকিব ৰ'দালিৰ সুখ
সৰু, সৰু আলিৰে মনবোৰ উটি ভাঁহি
সোণোৱালী প্ৰাপ্তিত বুকুত জাগিব
আকৌ এটি নতুনৰ বাট
আৰু সেই বাটে আহিব -
সাতো ঘোঁৰা ৰথখন মেলি
সোণৰ ৰেণু চটিয়াই, জনাব
অনুৰাগীসকলে বহু শুভেচ্ছাৰে
তোমাক সম্ভাষণ।



## এমুঠি অন্নৰ বাবে

**ৰাজেন শৰ্মা**
মনাহকুছি, কামৰূপ

আজি পুৱাৰে পৰা লানি নিচিঙা সোঁত
ল'ৰা-ছোৱালী, মুনিহ-তিৰোতা
মুখত ঈষত হাঁহি
উদৰ পুৰাব আজি,
কোনোবাই জনালে গৰম খবৰ
অন্নহীনক অন্ন দিয়া হ'ব
ঈশ্বৰ নামি আহিছে ধৰালৈ;
নদীখনৰ উত্তাল বুকুলৈ চাই
মাকে কৈছে ল'ৰাজনক
'অন্নই আমাৰ প্ৰৱল সোঁত'।
প্ৰখৰ ৰ'দকো নেউচি
শাৰীপাতি আছে সহস্ৰজন
যদি পূৰ হয় উদৰ
কষ্ট তেনে নগণ্য,
বেলি লহিয়াৰ পৰত খবৰ আহিল
আজি নহ'ব-
ৰান্ধনিঘৰত জুই নজলিল
খং আৰু ভোকৰ জুইত
নিজে নিজে ভষ্ম হ'ল সৰল জনতা
এমুঠি অন্নৰ বাবে।

## মৌনতাৰ অন্তযামী দিগন্ত

**ভাস্কৰ প্ৰিয়ম হাজৰিকা**
কৰচুং সত্ৰ

অন্তযামী সূৰ্যৰ নিৰিড় আভাত
মৌন হয় দিগন্তৰ অলিখিত ঠিকনা,
অস্তিত্বহীনতাৰ বুকুত এনেদৰে বিলীন হয়।
কোলাহল-মৌনতাৰ অদৃশ্য সন্ধিক্ষণত
হেৰুৱাইছোঁ কেৱল নিজকে
যাযাবৰী অনুভৱৰ বিভ্ৰান্ত মানচিত্ৰত
বাৰে বাৰে নিজকে আত্মসমৰ্পণ কৰোঁ
স্তব্ধতাৰ বুকুত বিমূৰ্তভাৱে।
সাগৰ
মই তোক বেয়া পাওঁ।

তোৰ কোৱাল ঢৌবোৰৰ আঘাতে
মোৰ ব্যঞ্জনাময় হৃদয়ৰ
বাখৰুৱা মৰমবোৰ
আজিও উন্মোচন কৰিবলৈ অপাৰগ।
আন্ধাৰৰ মাজত দৃঢ় হোৱা
গোপন পোহৰৰ নৈখনেই
অৰ্ধসঞ্জীৱিত কৰে মোৰ জীৱনৰ
বৰ্ণিল পটভূমিৰ পুনৰুত্থান।

কথাবোৰ নক্ষত্ৰধূলিৰ দৰে উজ্বল,
সময়বোৰ এতিয়া পুৰাতনী
কল্পগাথাৰ দৰে মৌনতাৰ প্ৰতিধ্বনি।
ঠিক শৈশৱৰ কুঁহিপাঠখনত
সংৰক্ষিত হৈ থকা
শৈশৱৰ নিৰ্মল স্মৃতিৰ দৰে।

**ম'বাইল ঃ** ৯৩৬৫৭-৫৯৬২৯

## আঘোণৰ পথাৰত এজনী ৰূপহী কনেং

**মুন শৰ্মা**, লখিমপুৰ

ঐ কনেং......
আঘোণৰ পথাৰত,
শীতৰ পুৱাৰ কুঁৱলীৰ আবেশ ফালি,
হৃদয়ত শুকুলা মৰমৰ নাও উটুৱাই,
পুৱাতে খৰ খোজে আগুৱাই যে যাৱ,
তয়েই নহয় জানো অ মিচিং ৰূপহী জনী।
সেই যে আঘোণৰ কোমল ৰ'দালীজনী হৈ,
এই বেলি আঘোণ পথাৰত যে,
প্ৰেমৰ তপত বতাহ বলিছে বুলি বাতৰি ওলাইছে
সেইজনী তয়েই বোলে, হয়নে বাৰু, ঐ কনেং,
এই বেলি পথাৰত বোলে পাহুৱাল ডেকা কান্ধত
লখিমী ডাঙৰিৰ জিৰিপ জিৰিপ শব্দ হেৰাই গ'ল
কিয় সুধিলো,
খবৰ আহিছে, তোৰ মিঠা ঐনিতমৰ মধুৰ ৰাগত।
ঐ কনেং..... আৰু শুন, এটি কথা,
তিনিআলি শীতৰ সন্ধ্যাত ডেকা চামৰ আড্ডাত,
আজি কিছুদিন তই মাথোঁ কোলাহল,
আজি পিছে নিশব্দ, নীৰৱতাৰ বুকুত হেৰাল সকলো।
খবৰ পাইছোঁ তই বোলে যাবি গৈ মালতী,
শুনিছোঁ, সাজু হৈছে সিহঁত বোলে,
উদং পথাৰ আৰু থেকেচা খোৱা বুকুবোৰে,
তই নোহোৱা অনুভৱ সাৰটি,
নিজান পৰা তোৰ পৰশত মহিয়ান সময় খুচৰি।

**ম'বাইল ঃ** ৬০০০১-৭০১৬৩

# 'সাহিত্য-সংস্কৃতিৰ মঞ্চ, অসম'ৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানৰ বৰ্ণাঢ্য আয়োজন

■ **শংকৰ দেৱ**, দেৰগাঁও

**স**হস্ৰ সাহিত্য প্ৰেমী আৰু ন ন লেখক-লেখিকাৰে পৰিপূৰ্ণ এই আমাৰ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ এক জনপ্ৰিয় পৰিচিত ফেচবুক গোটৰ নাম হৈছে 'সাহিত্য সংস্কৃতিৰ মঞ্চ, অসম'। সাহিত্য সংস্কৃতিৰ উৎকৰ্ষ সাধন আৰু যুৱ সাহিত্য চৰ্চাকাৰী সকলক এখন উপযুক্ত মঞ্চ প্ৰদান কৰাৰ উদ্দেশ্যেৰে ২০১৮ চনত মুখ্য প্ৰশাসক শ্ৰদ্ধাৰ মানস প্ৰতিম শৰ্মাৰ একক প্ৰচেষ্টাত গঠন হোৱা এই 'সাহিত্য-সংস্কৃতিৰ মঞ্চ, অসম'।

এই গোটত সৰ্বসাধাৰণতে মোৰ ভাল লগা কবিতা, মোৰ ভাল লগা কবিতা পাঠ, কাপ (বাংলা অনুবাদ শিতান), কবিঘৰ আজিৰ কবিতা (কবিতা বিশ্লেষণ শিতান), অণুগল্পৰ সুৰভি, পাৰিজাত (শিশু কবিতা আবৃত্তি শিতান), ইংৰাজী অনুবাদ শিতান ইত্যাদি ইত্যাদি সাপ্তাহিক শিতানেৰে উঠি অহা প্ৰজন্মক সাহিত্য চৰ্চাৰে আগুৱাই নিয়াত সুপৰিকল্পিত ব্যৱস্থা কৰা হৈছে।

সভাপতি ড° ৰমেশ কুমাৰ কাকতি, কাৰ্যকৰী সভাপতি শংকৰ দেৱ, মুখ্য সম্পাদক পাপৰি দেৱীকে ধৰি যুটীয়া সম্পাদক চুমি কলিতা আৰু সুদক্ষিণা জয়ন্তী য়ে এই গোটৰ আগন্তুক হ'বলগীয়া সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানৰ বাবে এক আড়ম্বৰপূৰ্ণ উদ্‌যাপনৰ কাৰ্যসূচী প্ৰস্তুত কৰি আগন্তুক ২৮ ডিচেম্বৰ ২০২৫ ৰ দেওবাৰৰ দিনা 'জয়ন্ত বৰুৱা - লখিমী বৰুৱা সদনত, আমবাৰী, গুৱাহাটীৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত হ'বলগীয়া বৰ্ণাঢ্য অনুষ্ঠানত মঞ্চই আয়োজন কৰা কাৰ্যসূচী অনুযায়ী এই অনুষ্ঠানটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাহিত্যিক, সমাজসেৱী, শিল্পী, শিক্ষক আৰু সাহিত্য প্ৰেমীসকলৰ উপস্থিতি থাকিব বুলি জানিব পৰা গৈছে।

মঞ্চৰ পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, সমৱেত সংগীত পৰিৱেশন, গ্ৰন্থ উন্মোচন আদিৰে এক সাংস্কৃতিক পূৰ্ণ সুন্দৰ কাৰ্যসূচীৰে অনুষ্ঠানৰ আৰম্ভণি হ'ব। তাৰ পাছতেই এক শ্ৰেণীৰ কবিতা পাঠ, গীত, দলীয় সত্ৰীয়া নৃত্য প্ৰদৰ্শনৰ আৰু আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হৈছে। বিশেষকৈ, নতুন প্ৰজন্মৰ কবি আৰু সাহিত্য প্ৰেমীসকলৰ অংশগ্ৰহণেৰে অনুষ্ঠানটো লৈ এক নতুন উজ্বলতা আনিবলৈ সম্পূৰ্ণ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। লগতে গোটৰ স্মৰণিকা কাব্য সংকলন 'কাব্যকুঞ্জ' প্ৰকাশ কৰা হ'ব।

এইদৰেই অসমৰ সপ্তম বৰ্ষপূৰ্তি উদ্‌যাপন উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ কৰিবলৈ যো-জা চলোৱা হৈছে। যেনেকৈ গোটত আয়োজিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীক পুৰস্কাৰ প্ৰদান, সাহিত্য ক্ষেত্ৰখনত আগবঢ়োৱা বৰেণ্য ব্যক্তিক বিভিন্ন বঁটা প্ৰদান কৰা হ'ব। নিত্য গীত, কবিতা আদিৰ আৱামেৰে জীপাল হ'বলগীয়া উক্ত অনুষ্ঠানটোত উপস্থিত থাকিব অসমৰ ভালে কেইগৰাকী প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় সাহিত্যিক। বিশেষকৈ আমন্ত্ৰিত বিশিষ্ট বিশিষ্ট অতিথি বৃন্দ যেনেকৈ জয়ন্ত মাধৱ বৰা, শান্তনু শৰ্মা, ড° ইকবাল হুছেইন খান, ড° নীলিম গোস্বামী শৰ্মা, নীলিম কুমাৰকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিতিৰ মাজেৰে দিনজোৱা কাৰ্যসূচীৰে চলিবলগীয়া এই অনুষ্ঠানত সাহিত্য সংস্কৃতিৰ এক জীৱন্ত নিদৰ্শন দাঙি ধৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে।

সামগ্ৰিকভাৱে, আগন্তুক হ'বলগীয়া 'সাহিত্য সংস্কৃতিৰ মঞ্চ, অসম'ৰ এই সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানত সমগ্ৰ একতা, সাহিত্য আৰু সাংস্কৃতিক সম্প্ৰীতিৰ এক জীৱন্ত নিদৰ্শন হিচাপে সফলতাৰে সম্পন্ন কৰা হ'ব।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

## ফিনিছিং বেয়া ল'ৰাটো

**ৰমেন বৃৰদুগ**, মাজুলী

সপোন দেখা ল'ৰাটোৰ
সপোনবোৰ ঠিকেই আছিল
দিঠকৰ জখলাতহে বগাব নোৱাৰা হ'ল
ঠাট্টা মস্কৰাবোৰ সহি গ'ল
প্ৰেৰণা হৈ থিয় দিয়া মানুহ বিচাৰি নোপোৱা হ'ল
ফিনিছিং বেয়া ল'ৰাটো
আশাৰ বন অৰণ্যত
এজনী মকৰাৰ জাল গুঠি থকা চাই ৰ'ল।

**ম'বাইল ঃ** ৯৩৬৫০-১৬৫৮৬

*প্ৰথম পৃষ্ঠাৰ পৰা*

# ২৯ ডিচেম্বৰত মুকলি হ'ব গুৰুজনাৰ জন্মভূমিৰ বহু প্ৰতিক্ষিত 'বটদ্ৰৱা প্ৰকল্প'

স্মৃতিক্ষেত্ৰ-শান্তিজান দৰ্শন কৰিবলৈ বিভিন্ন প্ৰান্তৰৰ পৰা দৈনিক অজস্ৰ দৰ্শনাৰ্থীৰ সমাগম ঘটে। গতিকে অসমীয়া জাতিৰ মণিকূট স্বৰূপ এই পৱিত্ৰ ভূমিৰ সামগ্ৰিক উন্নয়ন আৰু যাতায়াত ব্যৱস্থাৰ লগতে গুৰুজনাৰ স্মৃতি বিজড়িত বটদ্ৰৱা থানখনিক পঞ্জাৱৰ স্বৰ্ণ মন্দিৰৰ আৰ্হিত বিশেষ ধৰ্মীয় ক্ষেত্ৰ হিচাপে গঢ়াৰ সংকল্পৰে ২০১৬ চনৰ ছেপ্তেম্বৰত অসম চৰকাৰৰ বিশেষ তৎপৰতাত বেদখলমুক্ত হোৱা ১৬৫ বিঘা ভূমিত নিৰ্মাণ হৈ উঠা বৃহৎ 'বটদ্ৰৱা প্ৰকল্প' ভাগ আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰা হ'ব চলিত মাহৰ শেষৰফালে। উল্লেখ্য যে, ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী অমিত শ্বাহেই বহু প্ৰত্যাশিত এই 'বটদ্ৰৱা প্ৰকল্প'ৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰাৰ পিছৰে পৰাই নিৰ্মাণ হৈ থকা এই প্ৰকল্পত সন্নিবিষ্ট পৃথিৱীৰ আতাইতকৈ ওখ গুৰু আসন, সত্ৰীয়া সংস্কৃতি প্ৰতিফলিত হোৱা বিভিন্ন কাৰুকাৰ্য খটোৱা অতিথি গৃহ, দেৱবাদ্য তালৰ সাজত কলাকেন্দ্ৰ, খোলৰ সাজত গৱেষণা কেন্দ্ৰ, নাৱৰ সাজত কৌশল বিকাশ কেন্দ্ৰ, জাপিৰ সাজত নাট ঘৰ আদিৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। ওম কনষ্ট্ৰাকছন নামৰ এটা কোম্পানীৰ তত্বাৱধানত নিৰ্মিত এই প্ৰকল্পত থলুৱা গছ-গছনি ৰোপণেৰে প্ৰকৃতিকভাৱে উজীৱিত কৰাৰো প্ৰচেষ্টা লোৱা হৈছে। সেয়ে ঐতিহাসিক থানখনিক বিশ্বৰ ধৰ্মীয় আৰু আধ্যাত্মিক গৱেষণাৰ ক্ষেত্ৰ হিচাপে গঢ়াৰ সংকল্পৰে বেদখলমুক্ত কৰা ঐতিহ্যমণ্ডিত আকাশী গংগাৰ তীৰৰ ১৬০ বিঘা ভূমিত প্ৰায় ২০০ কোটি টকা ব্যয় সাপেক্ষ নিৰ্মিত এই বৃহৎ 'বটদ্ৰৱা প্ৰকল্প'ক লৈ যথেষ্ট আশাবাদী বটদ্ৰৱা তথা নগাঁওবাসী জনতা।

*প্ৰথম পৃষ্ঠাৰ পৰা*


# চৰকাৰী আঁচনিয়ে হিতাধিকাৰী সৃষ্টি কৰা নাই, মহিলাসকলৰ

অহা বৰ্ষৰ ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত অসমৰ আটাইকেইটা বিধানসভা সমষ্টিৰ মহিলাসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। তেওঁ কয় যে অসমৰ মহিলাসকলক অধিকাৰ দিয়া, মহিলাসকলৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতিক শক্তিশালী কৰাই হৈছে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ লক্ষ্য। অভিযানৰ প্ৰথম পৰ্যায়ত ৩২ লাখ মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। ইয়াৰ বাবদ চৰকাৰৰ ৩২০০ কোটি টকা খৰচ হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাসকলৰ বাবে এনে এখন বিশাল আঁচনি দেশৰ স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে গ্ৰহণ কৰা হৈছে। বিগত পাঁচ বছৰত মহিলাসকলক যিমান সন্মান আৰু অধিকাৰ দিয়া হৈছে পূৰ্বতে কেতিয়াও দিয়া হোৱা নাছিল বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে মহিলাসকলৰ উন্নয়নৰ বাবে বৰ্তমানৰ ৰাজ্যৰ চৰকাৰখনে বহু কাম কৰিছে। অসমত মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধ নোহোৱা হৈছে, বাল্য বিবাহ বন্ধ হৈছে। ছোৱালী শিক্ষাক উৎসাহিত কৰি নিযুত মইনা আঁচনি, বিনামূলীয়া নামভৰ্তি, নৱম শ্ৰেণীৰ শিক্ষাৰ্থীত চাইকেল প্ৰদান, উচ্চতৰ মাধ্যমিকত ভাল ফল কৰা ছাত্ৰ-ছাত্ৰীক স্কুটী প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তেওঁ কয় যে অসমৰ মহিলাসকলক অৰ্থনৈতিকভাৱে শক্তিশালী কৰিবলৈ অৰুণোদয় আঁচনি হাতত লোৱা হৈছিল। এই আঁচনিৰ জৰিয়তে এগৰাকী মহিলাই মাহে লাভ কৰা ধন ৮৩০ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি পালে। আঁচনিখনৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা ৪০ লাখলৈ বৃদ্ধি হ'ল। বিধৱা পেঞ্চনৰ ধন ২০০ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ভাৰতৰ আন কোনো ৰাজ্যতে মহিলাসকলক ইমান গুৰুত্ব দিয়া হোৱা নাই। চৰকাৰে গ্ৰহণ কৰা মহিলা সবলীকৰণ আঁচনিসমূহৰ বাবে মহিলাসকলে শান্তিৰে জীৱন-যাপন কৰিব পাৰিছে। অসমৰ মহিলাসকল আৰ্থিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক আদি সকলো দিশতে আগবাঢ়িছে বুলি মন্তব্য কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে দুখীয়া পৰিয়ালসমূহৰ সহায়ক হোৱাকৈ বিনামূলীয়াকৈ চাউল প্ৰদান কৰি আহিছে। অসম চৰকাৰে অহা ১ জানুৱাৰীৰ পৰা ১১৭ টকাৰ পৰিৱৰ্তে ১০০ টকাতে এক কিলোকৈ চেনী, দাইল আৰু নিমখ যোগান ধৰিব। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বাবে মহিলাসকলৰ ঘৰৰ সমস্যা বহু পৰিমাণে লাঘৱ হোৱা বুলি মন্তব্য কৰি ড° শৰ্মাই মহিলাসকলক ব্যৱসায়ৰ জৰিয়তে ধন উপাৰ্জনত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। তেওঁ সকলোকে লাখপতি বাইদেউ হোৱাৰ বাবে চেষ্টা কৰিবলৈ আহ্বান জনাই কয় যে ১০ হাজাৰ টকাৰে কোনো লাখপতি হ'ব নোৱাৰে। কিন্তু লাখপতি হোৱাৰ লক্ষ্যৰে কাম আৰম্ভ কৰিব পাৰে। চৰকাৰে দিয়া ১০ হাজাৰ টকা উৎপাদনমুখী কামত খৰচ কৰিলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ হাজাৰ টকা আৰু ৫০ হাজাৰ টকাকৈ দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ড° শৰ্মাই লামডিং সমষ্টিৰ ৰামনগৰ কাকী গাঁৱৰ নিৰ্মালী মেচে বিভিন্ন কৃষিকৰ্মৰে মাহে ১০ হাজাৰ টকা, জোথাং বস্তিৰ আয়েশা ছিদ্দিকাই বেকাৰী সামগ্ৰী উৎপাদন আৰু বিক্ৰীৰে মাহে ৭০ হাজাৰ টকা উপাৰ্জন কৰাৰ উদাহৰণ দাঙি ধৰে। লামডিং সমষ্টিৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লামডিঙত এখন মিনি ষ্টেডিয়ামৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ভৱিষ্যতে কাকী আৰু লংকাতো ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰি ক যে লামডিং সমজিলা গঠন কৰা হৈছে আৰু সমজিলা আয়ুক্তৰ কাৰ্যালয় প্ৰায় ১৯ কোটি টকাৰে নিৰ্মাণ কৰি থকা হৈছে। অনুষ্ঠানত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ,সমাজকৰ্মী দিলীপ ধৰ, মহম্মদ আলী, শিলাদিত্য দেৱ প্ৰমুখ্যে বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। আনহাতে বৰপেটা পৌৰসভা খেলপথাৰত বৰপেটা বিধানসভা সমষ্টিৰ উদ্যমী মহিলাসকলক চেক বিতৰণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে বিগত লোকসভা নিৰ্বাচনৰ পূৰ্বে তেওঁ ঘোষণা কৰিছিল যে চৰকাৰে আত্মসহায়ক গোটৰ সদস্যাসকলক উদ্যমিতাৰ বাবে ১০ হাজাৰ টকাকৈ পুঁজিৰ যোগান ধৰিব। মহিলাসকল যাতে স্বাৱলম্বিতাৰ বাটত আগুৱাই যাব পাৰে তাৰ বাবে চৰকাৰী সাহায্যৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই অভিযানৰ অন্তৰ্গত আৰ্থিক সাহায্য লাভ কৰিবলৈ ৰাজ্যৰ ৩২ লাখ মহিলা নিৰ্বাচিত হৈছে আৰু এওঁলোকক পৰ্যায়ক্ৰমে পুঁজি বিতৰণ কৰি থকা হৈছে। তিনিটাতকৈ অধিক সন্তান থকা মহিলাসকলক এই উদ্যমিতা পুঁজি প্ৰদান কৰা নহ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আঁচনিখনৰ তাৎপৰ্য ব্যাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিখনৰ জৰিয়তে ৰাজ্যৰ নাৰী সমাজক আৰ্থিকভাৱে আগুৱাই লৈ যাবলৈ ৰাজ্য চৰকাৰে এক প্ৰয়াস কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ তিনি কোটি মহিলাক 'লাখপতি দিদি' হিচাপে গঢ়িবলৈ লক্ষ্য লৈছে। এই লক্ষ্যৰ সৈতে ৰজিতা খুৱাই অসম চৰকাৰে ৰাজ্যৰ ৪০ লাখ মহিলাক লাখপতি বাইদেউৰ শাৰীলৈ লৈ যাবলৈ উদ্যমিতা অভিযানৰ জৰিয়তে এক পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে ইতিমধ্যে ৰাজ্যৰ ৮ লাখৰো অধিক মহিলাই লাখপতি বাইদেউ হিচাপে স্বীকৃতি লাভ কৰিছে। পুঁজিৰ ব্যৱহাৰৰ সম্পৰ্কে তেওঁ কয় যে হিতাধিকাৰীসকলে গোটৰ মাধ্যমেৰে মুষ্টিমেয়ভাৱে অথবা নিজাববীয়াকৈও উদ্যমিতাৰ বাবে পুঁজি ব্যৱহাৰ কৰিব পাৰিব। কোনো হিতাধিকাৰীৰ স্বামী ব্যৱসায় আদি কাৰ্যত জড়িত থাকিলে তাতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰিব। যিসকল হিতাধিকাৰীয়ে তেওঁলোকৰ পুঁজি ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব সেই মহিলাসকলক পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ আৰু ৫০ হাজাৰকৈ প্ৰদান কৰা হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰপেটা সমষ্টিত ইতিমধ্যে বিভিন্ন উদ্যমিতামূলক পদক্ষেপৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ সক্ষম হোৱা সৰুক্ষেত্ৰী উন্নয়নখণ্ডৰ কাৰাকুছি গাঁৱৰ সৃষ্টি গ্ৰাম্য সংগঠনৰ অন্তৰ্গত জোৱাটি উন্নয়ন সংঘ আত্মসহায়ক গোটৰ সদস্যা ভাণু মেধি ডেকা আৰু পাল্লা গাঁৱৰ লক্ষ্মী গ্ৰাম্য সংগঠনৰ অন্তৰ্গত অৰুণম আত্মসহায়ক গোটৰ সদস্যা মধুমিতা ডেকাৰ কথা উল্লেখ কৰে। নাৰীৰ সবলীকৰণৰ দিশত ৰাজ্য চৰকাৰে ধাৰাবাহিকভাৱে বিভিন্ন পদক্ষেপ লৈ আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নাৰীৰ স্বাভিমান আৰু অধিকাৰ সুৰক্ষাৰ বাবে বহু বিবাহ প্ৰতিৰোধী আইন প্ৰণয়নৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে লণ্ডনৰ মিউজিয়ামত সংৰক্ষিত হৈ থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তাঁতীকুছিত প্ৰস্তুত কৰি উলিওৱা বৃন্দাবনী বস্ত্ৰভাগি ২০২৭ চনত অসমলৈ আনি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব।

# মুম্বাইত সন্মানীয় শ্ৰীচন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা, ২০২৫

প্ৰতিষ্ঠা কৰি এই সংযোগ গভীৰ কৰাৰ ক্ষেত্ৰত পূজ্য জয়েন্দ্ৰ সৰস্বতী স্বামীগালৰ কামৰ বিষয়েও কয়। তেওঁ শ্ৰীমন্ত শংকৰদেৱৰ নাম বহন কৰা শ্ৰী শংকৰদেৱ নেত্ৰালয়ক শংকৰাচাৰ্য আৰু শংকৰদেৱৰ, অদ্বৈত আৰু ভক্তিৰ, কাঞ্চী আৰু অসমৰ এক সুন্দৰ সংগম বুলি বৰ্ণনা কৰে। ড° শৰ্মাই তেওঁৰ ভাষণত সনাতন ধৰ্মৰ চিৰন্তন আত্মাৰ বিষয়ে উল্লেখ কৰি ইয়াক কেৱল এক ধৰ্ম নহয়, বৰঞ্চ এক জীৱনশৈলী, এক নৈতিক দিকনিৰ্ণায়ক আৰু সত্যৰ এক চিৰন্তন সন্ধান বুলি বৰ্ণনা কৰে। তেওঁ গুৰুত্ব আৰোপ কৰে যে একক ভৱিষ্যদ্বাণীমূলক উদ্ঘাটনৰ ওপৰত আধাৰিত বিশ্বাসৰ বিপৰীতে, সনাতন ধৰ্ম এই দৃঢ়তাৰ ওপৰত নিৰ্ভৰ কৰে যে সত্য আৱিষ্কাৰ কৰিব লাগিব, যিয়ে প্ৰতিজন ব্যক্তিৰ বাবে অনন্য আৰু পৱিত্ৰ পথক উৎসাহিত কৰে। কোনো বিবাদ নোহোৱাকৈ বহুত্বক ধৰি ৰখাৰ বাবে সনাতন ধৰ্মৰ ক্ষমতাৰ কথা বৰ্ণনা কৰি তেওঁ উদ্ধৃত কৰে, "সত্য এক, কিন্তু জ্ঞানীসকলে ইয়াক বহু ধৰণে বৰ্ণনা কৰে"। সনাতনী পৰম্পৰাৰ ভিতৰত থকা বৈচিত্ৰ্যক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক এই বৈচিত্ৰ্যৰ আটাইতকৈ স্পন্দনশীল প্ৰকাশসমূহৰ ভিতৰত অন্যতম হিচাপে উল্লেখ কৰে। তেওঁ কয় যে হিন্দু ধৰ্ম উত্তৰ-পূৰ্বাঞ্চললৈ এক সাংস্কৃতিক সংগী হিচাপে আহিছিল, যিয়ে এই ভূমিত নিজকে খাপ খুৱাইছিল, স্থানীয় পৰম্পৰাসমূহক গ্ৰহণ কৰিছিল আৰু প্ৰকৃতি আৰু পূৰ্বপুৰুষৰ সৈতে জড়িত প্ৰাচীন আধ্যাত্মিক প্ৰেৰণাসমূহক সংৰক্ষণ কৰিছিল। ড° শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত হোৱা অসমীয়া নৱজাগৰণৰ বিষয়ে উল্লেখ কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্ম এক গণতান্ত্ৰিক আধ্যাত্মিক আন্দোলন আছিল, যিয়ে সেই যুগত ভাৰতৰ ৰাজনৈতিক সীমাৰ ভিতৰত নাথাকিলেও অসমক ভাৰতৰ বৃহত্তৰ সভ্যতাগত আৰু সাংস্কৃতিক ঐক্যৰ সৈতে দৃঢ়ভাৱে সংযুক্ত কৰিছিল। তেওঁ বড়ো, ৰাভা, তিৱা, ডিমাচা, কাৰ্বি, টাই আহোমসকলৰ ধৰ্মীয় আচাৰসমূহকে ধৰি বিভিন্ন থলুৱা ধৰ্মসমূহৰ কথাও শ্ৰদ্ধাসহকাৰে উল্লেখ কৰে, যাৰ ব্ৰহ্মাণ্ডতত্ত্ব সনাতন ধৰ্মৰ আদিম প্ৰেৰণাসমূহৰ সৈতে জড়িত আৰু যাৰ হিন্দু আচাৰ-ব্যৱহাৰৰ সৈতে সহ-অৱস্থানে অঞ্চলটোৰ স্বাভাৱিক বহুত্ববাদক প্ৰদৰ্শন কৰে। ড° শৰ্মাই স্বাধীনতাৰ পিছত ৰাজনৈতিক তুষ্টিকৰণ, বৌদ্ধিক উপহাস আৰু আদৰ্শগত শত্ৰুতাৰ বিষয়সমূহ উল্লেখ কৰি সনাতন ধৰ্মই ইয়াৰ জন্মভূমিত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়েও আলোকপাত কৰে। তেওঁ 'Places of Worship Act, ১৯৯১', আৰু 'Waqf Act, ১৯৯৫'ৰ দ্বাৰা সৃষ্টি হোৱা আইনী বৈষম্য আৰু হিন্দু পৰিচয় হ্ৰাস কৰা ঐতিহাসিক বিকৃতকৰণৰ বিষয়ে আঙুলিয়াই দিয়ে। মুখ্যমন্ত্ৰীয়ে অসমত জনগাঁথনিগত আক্ৰমণৰ সভ্যতাগত প্ৰত্যাহ্বানৰ কথাও উল্লেখ কৰে। তেওঁ বিতংভাৱে কয় যে কেনেকৈ **১৯৪১** চনৰ ভূমি উন্নয়ন আঁচনিৰ দৰে নীতিৰ ফলত পূব বংগৰ মুছলমান অনুপ্ৰৱেশকাৰীসকলৰ বৃহৎ বসতিয়ে ৰাজ্যৰ জনগাঁথনিক মৌলিকভাৱে সলনি কৰিছিল, থলুৱা সম্প্ৰদায়সমূহৰ সাংস্কৃতিক নিৰন্তৰতাৰ প্ৰতি ভাবুকি আনিছিল আৰু চৰকাৰী, বনাঞ্চল আৰু পৱিত্ৰ সত্ৰৰ ভূমি বেদখলৰ সৃষ্টি কৰিছিল। ড° শৰ্মাই দৃঢ়তাৰে কয় যে তেওঁৰ চৰকাৰে ইয়াৰ মোকাবিলা কৰিবলৈ সাহসী পদক্ষেপ গ্ৰহণ কৰিছে, যাৰ ভিতৰত আছে প্ৰায় পোন্ধৰ হাজাৰ হেক্টৰ (১,১০,০০০ বিঘাৰো অধিক) বনাঞ্চল বেদখলকাৰীৰ পৰা মুক্ত কৰা আৰু শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বৰদোৱাক বেদখলমুক্ত কৰা। তেওঁ কয় যে জনসংখ্যাগত ভাৰসাম্য বজাই ৰখাৰ অৰ্থ হৈছে অসমক সহস্ৰাব্দ ধৰি বৰ্তাই ৰখা সাংস্কৃতিক ছন্দ আৰু সভ্যতাগত নিৰন্তৰতা সুৰক্ষিত কৰা। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ৰাষ্ট্ৰৰ আধ্যাত্মিক ঐতিহ্যক লালন-পালন কৰা আৰু সক্ষমতাত আধুনিক, জ্ঞানত প্ৰাচীন আৰু দৃষ্টিভংগীত সাৰ্বজনীন ভাৰত গঢ়ি তোলাৰ বাবে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দৃঢ়তাৰে উল্লেখ কৰে। উল্লেখযোগ্য যে এই বছৰ ড° শৰ্মাই উপৰি **২৮** সংখ্যক শ্ৰী চন্দ্ৰশেখৰেন্দ্ৰ সৰস্বতী ৰাষ্ট্ৰীয় বিশিষ্টতা বঁটা, **২০২৫** আন কেইবাগৰাকীও বিশিষ্ট ভাৰতীয়লৈ আগবঢ়োৱা হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগত এই বঁটা ব্ৰহ্মোছ এৰোস্পেছৰ প্ৰতিষ্ঠাপক পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া পদ্মভূষণ ড° এ শিৱথানু পিল্লাই আৰু আকাশ মিছাইল চিষ্টেমৰ প্ৰথম প্ৰকল্প সঞ্চালক পদ্মশ্ৰী ড° প্ৰহ্লাদ ৰামাৰাওক প্ৰদান কৰা হয়। সামূহিক নেতৃত্বৰ বঁটা মুম্বাইৰ জনপ্ৰিয় দুপৰীয়াৰ আহাৰ বিতৰণকাৰী নেটৱৰ্ক মুম্বাই ডাব্বাৱালাসকলক প্ৰদান কৰা হয় আৰু সামাজিক নেতৃত্ব আৰু দৰ্শন বিভাগত বঁটা ড° মণি দ্ৰাবিদ শাস্ত্ৰীগালক প্ৰদান কৰা হয়।

# চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত ড° নগেন শইকীয়াৰ - সাহিত্যবাদ বৈচিত্ৰ্য আৰু ভাৰতীয় সাহিত্যতত্ত্বৰ আভাস উন্মোচন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু অসম পুথি প্ৰশাসন আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত হৈ থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা চতুৰ্থ দিনা চৌকিডিঙ্গীৰ গ্ৰন্থমেলাৰ বাকৰিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অধ্যাপক ড° নগেন শইকীয়াৰ সাৰস্বত আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ সহযোগত প্ৰয়াত লাৱণ্য শইকীয়াৰ সোঁৱৰণী বক্তৃতা আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হয়। 'অসমীয়া গীতি সাহিত্যত নাৰীৰ ভাৱনাৰ প্ৰতিফলন'- শীৰ্ষক বক্তৃতা প্ৰদান কৰে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই। সম্পাদক বীৰেন বৰুৱাই আঁতধৰা অনুষ্ঠানটোত ন্যাসৰ সভাপতি ড° কন্দৰ্প কুমাৰ ডেকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, প্ৰচাৰ সম্পাদক ৰতন হাজৰিকাকে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানতে ড° নগেন শইকীয়াৰ সাহিত্যবাদ বৈচিত্ৰ্য আৰু ভাৰতীয় সাহিত্যতত্ত্বৰ আভাস, নিৰলা বৰুৱাৰ - বিদেশত অকলে, ড° বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ-মহাবীৰ লাচিত বৰফুকন আৰু ড° কৰবী ডেকা হাজৰিকাৰ অকণিৰ নাটঘৰ উন্মোচন কৰা হয়। আনহাতে ড° নগেন শইকীয়াৰ 'অতীতেই মোৰ ঘৰ' কেইদিনমান আগতে উন্মোচন কৰা হৈছিল। অনুষ্ঠানত যথেষ্ট সংখ্যক গ্ৰন্থপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# নগাঁৱত কৃষি বিপ্লৱৰ প্ৰয়াস জংগম বহুমুখী সমবায় সমিতিৰ

অধীনস্থ নগাঁৱৰ চিলঙনীৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ প্ৰবক্তা, গৱেষক নৱজ্যোতি ভূঞা, জিলা কৃষি উন্নয়ণ বিষয়া গোলাপ শইকীয়া আৰু পথাৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষীমণি পাটৰে। সেই অনুসৰি সংগঠনটোৰ ফালৰ পৰা ইতিমধ্যে কৃষিভূমি টেক্টৰে চহাই, জাবৰ-জোথৰ চিকুনাই ৰবিশস্যৰ বীজ ৰোপণৰ কামত ব্যস্ত হৈ পৰা দেখা গৈছে। ইয়াৰ অংশহিচাপে দেওবাৰে এই কৃষিকৰ্মৰ অতিকে প্ৰয়োজনীয় বীজ সিঁচা পৰ্ব সম্পন্ন কৰা হয়। এই মৰ্মে, অনুষ্ঠিত হোৱা অনুষ্ঠানত তিৱা স্বায়ত্ত্ব পৰিষদৰ কাৰ্যবাহী সদস্য মদন চন্দ্ৰ বৰদলৈ, বিশিষ্ট সমাজকৰ্মী উপেন্দ্ৰ নাথ বৰা, সাংবাদিক জয়ন্ত মুদৈ, সামাজিক সংগঠনটোৰ সভাপতি ৰাজীৱ হাজৰিকা, কাৰ্যকৰী সভাপতি অনন্ত দাস, সম্পাদক ভূপেন নাথকে প্ৰমুখ্য কৰি বিষয়ববীয়া ববিতা দেৱী, কেশৱ বৰুৱা, ৰাজু দেউৰী, অতুল বৰদলৈ, অনিমা দেৱী, পবিত্ৰ নাথ, গাঁও প্ৰধান দীপক শইকীয়া, সমাজকৰ্মী পৰাগ জ্যোতি কলিতা, দীপেন ডেকাৰজা, মুকুল পণ্ডিত আদি বহুসংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য, ৰাজ্যত বহু শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ অভাৱত হামৰাও কাঢ়ি ফুৰাৰ সময়তে এনেদৰে জংগম বহুমুখী সমবায় সমিতিয়ে গ্ৰহণ কৰা এনে কৰ্ম সংস্কৃতিয়ে নিবনুৱাৰ বাবে সুন্দৰ নিদৰ্শন দাঙি ধৰিছে বুলি সচেতন মহলে মন্তব্য কৰিছে আৰু এনে পদক্ষেপৰ শলাগ লৈছে।




Janasanyog RO no 3535/25/19-December-25

# নগাঁৱত ঔপন্যাসিক গুণদা গোস্বামীৰ উপন্যাস ‘জোনাকী পৰুৱাৰ পম খেদি’ উন্মোচন




**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁৱৰ শংকৰদেৱ নাট্যচ'ৰাত ১৩ ডিচেম্বৰৰ বিয়লি বিশিষ্ট লেখিকা, নাট্যশিল্পী তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী গুণদা গোস্বামীৰ ‘জোনাকী পৰুৱাৰ পম খেদি’ নামৰ উপন্যাসখনি উন্মোচন কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি, শিক্ষাবিদ ড° শৰৎ বৰকটকীয়ে গ্ৰন্থখনি উন্মোচন কৰি কয় যে উপন্যাসখনিৰ কাহিনীৰ লগত বেটুপাতটি ৰজিতা খাই পৰিছে। অসমীয়া সমাজ জীৱনৰ এক ঐতিহ্যবাহী ক্ষেত্ৰ সত্ৰ সংস্কৃতিক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাসখনিৰ জৰিয়তে ঔপন্যাসিকগৰাকীয়ে সত্ৰৰ আধ্যাত্মিক পৰিৱেশ, ভক্তিৰ পথ আৰু তাৰ মাজত জড়িত মানুহৰ জীৱনৰ সুখ-দুখৰ কাহিনী হৃদয়স্পৰ্শীভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে। সাংবাদিক প্ৰাঞ্জল বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানটোত জনপ্ৰিয় ঔপন্যাসিক কৌশিক নন্দন বৰুৱাই সমীক্ষক হিচাপে অংশগ্ৰহণ কৰি কয় যে কিছুমান উপন্যাস কাব্যিকধৰ্মী হয় যদিও এই উপন্যাসখনি সংলাপ প্ৰধান হৈছে। বিশিষ্ট সাহিত্যিক ভবেন্দ্ৰ নাথ শইকীয়াই উপন্যাসৰ ভাষা সহজ-সৰল হ'লে ভাল হয় বুলি কোৱাৰ দৰে এই উপন্যাসখনিও সহজ-সৰল ভাষাৰে ৰচনা কৰা হৈছে। সংগীতশিল্পী কাকলি শইকীয়াই এটি বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক মোহিনী মোহন ডেকাই নিজৰ ভাষণত সত্ৰৰ পটভূমিত ৰচনা কৰা উপন্যাসখনৰ বিষয়ে ক'বলৈ গৈ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ উদ্ধৃতিৰে সংহতিকেইটাৰ বিষয়ে উল্লেখ কৰে। লোকশিল্পী গোলাপ বৰাই এটি গীত পৰিৱেশনেৰে অধিক উজ্জীৱিত কৰি তোলা এই অনুষ্ঠানত সমজুৱাৰ ফালৰ পৰা কবি দ্বিজেন্দ্ৰ নাথ হাজৰিকা, লেখক অশোক কুমাৰ ভট্টাচাৰ্য আৰু লেখিকাৰ সহপাঠী চাৰু বনিয়াইও বক্তব্য আগবঢ়ায়। ঔপন্যাসিক তথা আঠখনকৈ গ্ৰন্থৰ ৰচয়িতা গুণদা গোস্বামীয়ে নিজৰ অভিমত দাঙি ধৰি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এটি বিখ্যাত কবিতাৰ উদ্ধৃতিৰে কয় যে মানুহে যিমানেই কষ্ট নাপাওক কিয় এই পৃথিৱীখন যেনেদৰে এৰি যাবলৈ নিবিচাৰে, তেনে এক পৰিৱেশ-পৰিস্থিতিৰ আভাস এই উপন্যাসখনত পাঠকে বিচাৰি পাব। তেওঁ ভাষণ প্ৰসংগত ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰি উপন্যাসখনিৰ সমল সংগ্ৰহ কৰা বুলি উল্লেখ কৰে। গাম্ভীয্যপূৰ্ণ এই অনুষ্ঠানত অনিল কুমাৰ শৰ্মা, হিৰণ্য বল্লভ গোস্বামী, জয়ন্ত কুমাৰ বৰা, ড° ৰ'জলীন জাহান, উপমা মজুমদাৰ, গৌৰী বল্লভ গোস্বামী, জগন্নাথ গোস্বামী, কনক হাজৰিকা, প্ৰদীপ দেৱনাথ, মুক্তি বৰা, বৈজয়ন্তী খাউণ্ড, নিজৰা শইকীয়া, বন্তি চেতিয়া, লীনা সন্দিকৈ, পূৰবী চক্ৰৱৰ্তী সূত, দীপিকা নাথ, অমিয়া গোস্বামী, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য, ৰামানন্দ গোস্বামী, চুমি বেজবৰুৱা প্ৰমুখ্যে অৰ্দ্ধ শতাধিক গণ্যমান্য লোক উপস্থিত থাকে। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় লেখিকাৰ বোৱাৰী বন্দনা শৰ্মাই।

# অসম কন্যা ড° নীলম নন্দিনী শৰ্মাক ‘ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰ’ৰ মুখ্য সচিবৰ দায়িত্ব

## নগাঁৱৰ বৌদ্ধিক মহলত উছাহৰ ঢল



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ জীয়ৰী তথা বৰ্তমান বাংগালুৰুৰ ৰেৱা বিশ্ববিদ্যালয় (Reva University)ত কৰ্মৰত ড° নীলম নন্দিনী শৰ্মাই ‘ভাৰতীয় জ্ঞান পৰম্পৰা কেন্দ্ৰ’ (centre of Excellence--Indian knowledge system)ৰ মুখ্য সচিবৰ দায়িত্ব গ্ৰহণৰ খবৰে জন্মস্থান নগাঁৱলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। ইয়াৰ সমান্তৰালভাৱে বিশ্ববিদ্যালয়খনৰ School of performing arts and indic study ৰ মুখ্য গৱেষক অধ্যাপকৰ দ্বায়িত্বতো নিয়োজিত হৈ থকা ড° শৰ্মাৰ অধীনত বৰ্তমান কেইবাগৰাকীও গৱেষক ছাত্ৰই গৱেষণা কৰি আছে। উল্লেখ্য যে, নগাঁও মণ্টেছৰী স্কুলৰ পৰা প্ৰাইমাৰী, নগাঁও চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু নগাঁও কলংপাৰ বিদ্যাপীঠৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উৰ্ত্তীণ হৈ পিছত গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ পৰা বুৰঞ্জী বিভাগত সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰি পৰৱৰ্তী পৰ্যায়ত তেওঁ Deccan college, post graduate and Research institution, Pune ৰ পৰা MA আৰু Archeology ত Ph.D ডিগ্ৰী লাভ কৰে। ইতিমধ্যে তেওঁ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত গৱেষণামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে গৱেষণামূলক পত্ৰ আৰু গ্ৰন্থ পাঠ কৰি সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এগৰাকী কন্যা সন্তানৰ মাতৃ নীলম নন্দিনী নগাঁও চহৰৰ লাওখোৱা ৰোডৰ নিৱাসী বিশিষ্ট লেখিকা মীৰা শৰ্মা আৰু স্বৰ্গীয় উত্তম শৰ্মাৰ জীয়ৰী তথা বাংগালুৰুৰ নিৱাসী ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যৰ পত্নী।







# ডিব্ৰুগড়ত বিশিষ্ট কবি ড° ফৰিদা আহমেদৰ ‘স্মৃতিৰ নৈখন’ উন্মোচন সাহিত্যাচাৰ্য ড° আনন্দ বৰমুদৈৰ




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** বিশিষ্ট কবি ঔপন্যাসিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অৱসৰী অধ্যাপিকা, গৱেষণা নিৰ্দেশক ড° ফৰিদা আহমেদৰ কাব্যগ্ৰন্থ ‘স্মৃতিৰ নৈখন’ উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰী অধ্যাপক, সাহিত্য সমালোচক, দ্বিভাষিক-ই-আলোচনী ‘পয়ট্ৰী উইডাউত ফায়াৰ'ৰ সম্পাদক, সাহিত্যাচাৰ্য ড° আনন্দ বৰমুদৈয়ে। ভাষণ প্ৰসংগত তেওঁ কয় যে টি এচ ইলিয়ট, এজৰা পাউণ্ড, উইলিয়াম বাটলাৰ য়েটছ আদি বিশ্ববিখ্যাত কবি সকলে সদায় কবিতাৰ বিষয়ে আলোচনা কৰিবলৈ একত্ৰিত হৈছিল, তেওঁলোকে কবিতাৰ বিষয়ে আলোচনা চৰ্চা কৰি ভাষাৰ আদান-প্ৰদান কৰিছিল। তেওঁ আৰু কয় যে কবিসকলে সদায় অনিশ্চয়তাৰ মাজত কবিতাৰ ভাৱ প্ৰকাশ কৰি থাকিব লগীয়া হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই কয় যে ড° ফৰিদা আহমেদৰ কবিতাবোৰ সহজ-সৰল আৰু প্ৰসংশনীয়, যি পাঠকে সহজে বুজিব পাৰে, লগতে তেওঁ কয় যে এটা কবিতা এশজন পাঠকে বেলেগে বেলেগে ব্যাখ্যা কৰিব পাৰে। কবিতা নিজে নিলিখে যদিও পঢ়ি ভাল পোৱা বুলি কয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ড° কন্দৰ্প কুমাৰ ডেকাই। ডিব্ৰুগড়ৰ হোটেল ‘চেণ্ট্ৰেল ইন'ত অনুষ্ঠিত অনুষ্ঠানত অংশগ্ৰহণ কৰি ‘স্মৃতিৰ নৈখন'ৰ লেখিকা, ঔপন্যাসিক ড° ফৰিদা আহমেদে নিজৰ অনুভৱ প্ৰকাশ কৰি কয় যে সৰুৰে পৰা তেওঁ কবিতা পঢ়ি ভাল পাইছিল আৰু তাৰে বহিঃপ্ৰকাশৰ ফলস্বৰূপে তেওঁৰ কাপৰ পৰা ইতিমধ্যে দুখনকৈ কাব্যগ্ৰন্থ প্ৰকাশ পাইছে আৰু ৰাইজে সেইদৰে আঁকোৱালি লোৱাৰ লগতে সকলোৰে অনুপ্ৰেৰণা যোগাইছে। পাঠক সমাজৰ পৰা সহাঁৰি পালে ভৱিষ্যতে আৰু কাপমৈলাম থমকি নৰয় বুলি তেওঁ কয়। এই অনুষ্ঠানতে বিশিষ্ট কবি ড° ইণ্টিকাবুৰ ৰহমান, চেনিৰাম গগৈ, বীৰেণ গগৈ, কুঞ্জ মোহন ভুঞা, বৈদ্য ব্ৰাইট বুঢ়াগোহাঞি, বিশ্বজিৎ দাস, প্ৰকল্প ৰঞ্জন ভাগৱতী আদি কবিসকলে তেওঁলোকৰ নিজৰ নিজৰ কবিতা পাঠ কৰাৰ লগতে ড° ফৰিদা আহমেদৰ কবিতা পাঠ কৰে। কল্যাণ ভূঞা আৰু পপী বৰা দাসে আঁতধৰা অনুষ্ঠানত কণমানি অৰভ দাসে জুবিন গাৰ্গৰ ‘মায়াবিনী ৰাতিৰ বুকুত’ আৰু ‘গা গা আজি গাই যা’ শীৰ্ষক গীত দুটি পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা